www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, OCTOBER 14, 2024 ■ সোমবাৰ।। ২৭ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৮০ Guwahati, Assam ।। মূল্যঃ এটকা

## গুজৰাটত ৫০০০ কোটিৰ ড্ৰাগছ জব্দ

আহমেদাবাদ, ১৩ অক্টোবৰঃ পুনৰ গুজৰাটত উদ্ধাৰ হৈছে ড্ৰাগছ। এইবাৰ পূৰ্বৰ অভিলেখ ভংগ কৰি ৩ পৃষ্ঠাত চাওক

### নিহোন হিডানকিয়োলৈ স্বীকৃতি

## জাপানী সংস্থালৈ ২০২৪ বৰ্ষৰ শান্তিৰ নোবেল পুৰস্কাৰ



**অছলো, ১৩ অক্টোবৰঃ** পশ্চিমীয়া দেশ আৰু আমেৰিকাৰ বিভিন্ন ক্ষেত্ৰত আগৰণুৱা তথা বিচক্ষণ লোকসকলে সময়ে সময়ে স্বীকৃতি শেষাংশ ৬ পৃষ্ঠাত

## কাৰাগাৰৰ দেৱাল বগাই ৫ কয়দীৰ পলায়ন

**ই-সংবাদ, মৰিগাওঁ, ১৩ অক্টোবৰঃ** শাৰদীয় দুৰ্গা পূজাৰ আনন্দ উল্লাসৰ মাজতে যোৱা বৃহস্পতিবাৰে মৰিগাওঁ জিলা কাৰাগাৰৰ পৰা একেলগে পাঁচটাকৈ আচামীয়ে পলায়ন কৰা ঘটনাই সমগ্ৰ ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। শেষাংশ ৫ পৃষ্ঠাত

## প্ৰতিনিধিৰ আৱশ্যক

'ই-সংবাদ'ৰ বাবে তেজপুৰ, যোৰহাট, লখিমপুৰ, ধেমাজি, ডিব্ৰুগড়, ডিফু আৰু মঙলদৈৰ পৰা প্ৰতিনিধিৰ আৱশ্যক। নিম্নোক্ত নম্বৰত হোৱাটছএপ কৰিব পাৰে। নম্বৰঃ ৯৩৬৫২২৫২৪৮।


### ৱাই কেটেগৰীৰ সুৰক্ষা ভেদ, বিষ্ণুই গেঙৰ দায়িত্ব স্বীকাৰ

## বাবা ছিদ্দিকিক হত্যা, উত্তাল মহাৰাষ্ট্ৰ

**মুম্বাই, ১৩ অক্টোবৰঃ** মহাৰাষ্ট্ৰ কংগ্ৰেছৰ একালৰ প্ৰভাৱশালী নেতা তথা বৰ্তমান এনচিপিৰ অজিত পাৱাৰ গোটৰ নেতা বাবা ছিদ্দিকিক গুলীয়াই হত্যা কৰাৰ







ঘটনাই সমগ্ৰ দেশকে জোকাৰি গৈছে। শনিবাৰে নিশা প্ৰায় ৯ বাজি ৩০ মিনিটত মুম্বাইৰ বান্দ্ৰা পূবস্থিত পুত্ৰৰ কাৰ্যালয়ৰ পৰা ওলাই শেষাংশ ৪ পৃষ্ঠাত


### গ্ল'বেল হাংগাৰ ইনডেক্সত ১০৫ নম্বৰ স্থানত ভাৰত

# দেশত বাঢ়িয়েই আছে ভোকাতুৰৰ সংখ্যা

**ই-সংবাদ বিশেষ, ১৩ অক্টোবৰঃ সাফল্যৰ ঢাক-ঢোল বজাই দেশবাসীক ৫ ট্ৰিলিয়ন ডলাৰ অৰ্থনীতিৰ সপোন দেখুৱাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজকে বিশ্বনেতা বুলি দাবী কৰি অহাৰ সময়তে পুনৰবাৰ ১৪১ কোটি জনসংখ্যাৰ দেশ ভাৰতৰ** শেষাংশ ২ পৃষ্ঠাত

## ছত্ৰ ভংগ স্তুৰংগমে! ঘোঁৰাত উঠি দেৱীৰ গমন

**ই-সংবাদ, ১৩ অক্টোবৰঃ** বিষাদৰ মাজেৰে অৱশেষত অন্ত পৰিল শাৰদীয় দুৰ্গোৎসৱ। বৰষুণে পূজাত যথেষ্ট বিঘিনি ঘটাব বুলি আশংকা কৰা হৈছিল যদিও উজনি অসমৰ কেইখনমান জিলাৰ বাদে এইবাৰ পূজাত বতৰে তেনেদৰে শেষাংশ ৪ পৃষ্ঠাত



বিজয়াৰ বিফল সন্ধ্যা... ছত্ৰ ভংগ স্তুৰংগমে

## আপোনঘাতী বিধায়ক মানৱ ডেকাৰ ভাতৃ

**ই-সংবাদ, ১৩ অক্টোবৰঃ** দুৰ্গা পূজাক লৈ চৌদিশে উলহ-মালহৰ পৰিৱেশ। তেনে সময়তে ৰাজ্যৰ এগৰাকী প্ৰভাৱশালী জনপ্ৰতিনিধিৰ পৰিয়ালৰ সদস্যই চৰম শেষাংশ ৫ পৃষ্ঠাত

## আগমনিত দুৰ্ঘটনা, ৫ নিহত

**ই-সংবাদ, গোলকগঞ্জ, ১৩ অক্টোবৰঃ** ধুবুৰী জিলাৰ আগমনিৰ দুই স্থানত যোৱা এঘাৰ অক্টোবৰত দুটাকৈ ভয়ংকৰ দুৰ্ঘটনাত পাঁচ জনৰ মৃত্যুৰ বাতৰিয়ে পূজাৰ শেষাংশ ৬ পৃষ্ঠাত

## জেৰাইত আজি অগপৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, চাবুৱা, ১৩ অক্টোবৰঃ** বিগত লোকসভা নিৰ্বাচনত উজনিৰ দুটা সংসদীয় সমষ্টিত দুই শাসকীয় দল অগপ-বিজেপিৰ ৰাজনৈতিক যুদ্ধ অত্যন্ত দুৰ্বল শেষাংশ ২ পৃষ্ঠাত

## পূজাৰ বতৰত ৩০ কোটিৰ সুৰা বিক্ৰী

**ই-সংবাদ, ১৩ অক্টোবৰঃ** বিগত কেইবাটাও দশকৰ অভিলেখ ভংগ কৰিছে এইবাৰৰ দুৰ্গা পূজাই। এই অভিলেখ হৈছে সুৰাৰ



বিক্ৰীৰ অভিলেখ। এইবাৰ দুৰ্গা পূজাৰ দিন কেইটাত সুৰাৰ বিক্ৰীয়ে অভিলেখ গঢ়িছে। দুৰ্গা পূজাৰ চাৰিটা দিনত গুৱাহাটীত প্ৰায় ৩০ কোটি টকাৰ সুৰা বিক্ৰী হৈছে। ২০২২ চনত ১৬ কোটি ৮০ লাখ, ২০২১ চনত ২২ কোটি ৫০ লাখ টকাৰ সুৰা বিক্ৰী শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দেশত বাঢ়িয়েই আছে ভোকাতুৰৰ

এখন ভয়ংকৰ ছবি উন্মোচিত হৈছে। চৰকাৰৰ দাবীৰ এই বিপৰীত ছবি উন্মোচিত হৈছে দুৰ্গোৎসৱৰ মাজতে প্ৰকাশিত গ্ল'বেল হাংগাৰ ইনডেক্সত। বিশ্বৰ ১২৭ খন দেশৰ ক্ষুধাতুৰক লৈ একাধিক বিশ্লেষণৰ অন্তত যুগুত কৰা ক্ষুধাতুৰ দেশৰ তালিকাত এইবাৰ ভাৰতৰ স্থান হৈছে ১০৫। ২০২৩ বৰ্ষৰ তুলনাত এইবাৰ স্থান কিছু উন্নত হ'লেও বৰ্তমানো কিন্তু ভাৰতক 'গুৰুতৰ অৱস্থা'ৰ ভিতৰত তালিকাভুক্ত কৰা হৈছে। বিগত বৰ্ষত ১২৫খন দেশৰ ভিতৰত ভাৰতৰ স্থান আছিল ১১১। এইবাৰ ১২৭খন দেশৰ ভিৰত ১০৫নং স্থান লাভ কৰিলেও চুবুৰীয়া বাংলাদেশ, নেপাল তথা শ্ৰীলংকাতকৈ ভাৰতৰ স্থান অৱনমিত হৈয়ে আছে। ৰাজনৈতিক অস্থিৰতাৰে জৰ্জৰিত বাংলাদেশ ভাৰতকৈ আগত থাকিলেও বিগত বৰ্ষৰ তুলনাত কিন্তু মহম্মদ ইউনুছে দায়িত্ব লোৱা দেশখন এইবাৰ ৩টা স্থানলৈ অৱনমিত হৈছে। ভাৰতে এইবাৰ পাকিস্তানক অতিক্ৰমি স্থান উন্নীত কৰিবলৈ সমৰ্থ হ'লেও শোচনীয় তথা গুৰুত্বৰ অৱস্থাৰ দেশৰ ভিতৰত তালিকাভুক্ত হোৱা বিষয়টোৱে চৰকাৰৰ হাজাৰ হাজাৰ দাবীসমূহৰ প্ৰতি প্ৰশ্নৰ উদ্ৰেক ঘটাইছে। একেদৰে এইবাৰ সূচকাংক প্ৰস্তুত কৰোতে পূৰ্বৰ তুলনাত আন কেবাটাও বিষয়ৰ প্ৰতি লক্ষ্য ৰখাৰ পৰিপ্ৰেক্ষিতত ২০২৩ আৰু ২০২৪ৰ তালিকাৰ তুলনাত্মক বিশ্লেষণ সঠিক নহ'ব বুলিও বিশেষজ্ঞসকলে মন্তব্য কৰিছে। মূলতঃ চাৰিটা বিষয়ৰ ওপৰত গুৰুত্ব দি এই তালিকা প্ৰস্তুত কৰি অহা হৈছে। প্ৰথমটো মাপকাঠী হৈছে অপুষ্টি। দ্বিতীয়তে ৫ বছৰৰ কম বয়সীয়া শিশুসকলৰ ওজন উচ্চতাৰ তুলনাত কম হোৱা। তৃতীয়তে বয়স অনুপাতে শিশুসকলৰ উচ্চতা বৃদ্ধি নোহোৱা। চতুৰ্থটো মাপকাঠী হৈছে ৫ বছৰৰ ভিতৰৰ শিশুসকলৰ মৃত্যুৰ হাৰ। ইয়াৰ সৈতে এইবাৰ জলবায়ু পৰিৱৰ্তন তথা বতৰৰ প্ৰভাৱ, লৈংগিক সমতা আদি বিষয়বোৰো মাপকাঠি হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰাপ্ত তথ্য অনুযায়ী ভাৰতত ৫ বছৰ বয়সৰ তলৰ শিশুসকলৰ মৃত্যুৰ হাৰ এতিয়াও বাকী দেশৰ তুলনাত যথেষ্ট। উল্লেখ্য যে চৰকাৰে এতিয়া ৮০ কোটি লোকক বিনামূলীয়াকৈ খাদ্য বিতৰণ কৰি থকাৰ কথা কৈ আহিছে। আনহাতে অসম, উত্তৰ প্ৰদেশ, বিহাৰ, ঝাৰখণ্ডকে ধৰি একাধিক ৰাজ্যত প্ৰতিদিনে দৰিদ্ৰ হিতাধিকাৰীৰ সংখ্যা বৃদ্ধি পায়েই আছে। চৰকাৰে বিনামূলীয়া ৰেচন বিতৰণ কৰি অহাৰ পিছতো বিশ্বৰ ক্ষুধাতুৰৰ তালিকাত ভাৰতৰ স্থান উদ্বেগজনক হৈ থকাটোৱে সচেতন মহলক চিন্তিত কৰি তুলিছে। মন কৰিবলগীয়া যে যোৱা এটা দশকত ভাৰতত ভোকাতুৰ লোকৰ সংখ্যা বাঢ়ি অহাৰ ফলত ক্ষুধাৰ তালিকাত বিশ্ব পৰ্যায়ত স্থানো অৱনমিত হৈ গৈ আছে। ২০০০ চনত ভাৰতৰ ক্ষুধাৰ মান আছিল ৩৮.৮ আৰু ইয়াৰ পৰৱৰ্তী বছৰসমূহত এই মান হ্ৰাস পাবলৈ লয়। ২০১২ চনৰ পৰা ২০২১ চনৰ মাজত ক্ষুধাৰ এই মান ২৭.৫ৰ পৰা ২৮.৮ পইণ্টৰ ভিতৰত আছিল। গ্ল'ৱেল হাংগাৰ ইনডেক্সৰ মতে এই পইণ্ট হৈছে ভয়াৱহ। প্ৰতিৱেশী দেশসমূহৰ ক্ষুধাৰ মান ভাৰতততকৈ উন্নত যদিও সেই দেশসমূহতো পৰিস্থিতি মুঠেই সন্তোষজনক নহয়। কিন্তু সেই দেশসমূহৰ জনসংখ্যা ভাৰতততকৈ কম হোৱা বাবে স্থানৰ দিশেৰে ক্ষুধাৰ তালিকাত ভাৰতততকৈ ওপৰত হৈ পৰে বুলি বিশ্লেষকসকলে মন্তব্য কৰা দেখা গৈছে। উল্লেখ্য যে বিশ্ব ক্ষুধাৰ সূচকাংক বা গ্ল'বেল হাংগাৰ ইনডেক্স চমুকৈ জিএইচআই যুটীয়াভাৱে প্ৰস্তুত কৰে আয়াৰলেণ্ডৰ 'কনচাৰ্ন ৱৰ্ল্ড ৱাইড' আৰু জাৰ্মান সংস্থা 'ৱেল্ট হাংগাৰ হিলফ'-এ। ২০২০ চনত এই তালিকাত ভাৰতৰ স্থান আছিল ৯৪। ২০২১ চনত অৱনমিত হৈ সেয়া হয়গৈ ১০১। ২০২৩ চনত ভাৰতৰ স্থান শোচনীয়ভাৱে ১১১লৈ অৱনমিত হৈছিল। এইবাৰ ৬টা স্থান উন্নীত হৈছে যদিও শোচনীয় পৰ্যায়ৰ পৰা উথিত হ'বলৈ সমৰ্থ নহ'ল। ভাৰতৰ দৰে জনবহুল হ'লেও পিছে চীনত নাই ভাৰতৰ দৰে ক্ষুধা। ভাৰতৰ বাদে ব্ৰিকছৰ অন্তৰ্গত দেশসমূহৰ প্ৰতিখনেই এই তালিকাত সন্তোষজনক স্থানত থকা দেখা গৈছে। ভাৰতৰ এনে শোচনীয় অৱস্থালৈ চাই প্ৰতিবেদনত ভাৰতক শিশুৰ অপুষ্টি দূৰ কৰাৰ ক্ষেত্ৰত আৰু অধিক উদ্যোগী হ'বলৈ পৰামৰ্শ প্ৰদান কৰা হৈছে। তথ্য অনুযায়ী দেশখনত ৫ বছৰ বয়সৰ তলৰ শিশুৰ মৃত্যুৰ হাৰ এতিয়াও ২.৯ শতাংশ আৰু অপুষ্টিৰ হাৰ হৈছে ১৩.৭ শতাংশ। ২০৩০ চনৰ ভিতৰত বিশ্বৰ বুকুৰ পৰা ক্ষুধা নাইকিয়া কৰাৰ সংকল্প গ্ৰহণ কৰা হৈছে। কিন্তু শেহতীয়া প্ৰতিবেদনত পোহৰলৈ অহা তথ্যসমূহ বিশ্লেষণৰ অন্তত সেয়া একপ্ৰকাৰ অসম্ভৱ বুলি দাবী কৰিছে বিশেষজ্ঞসকলে। ইফালে, গ্লবেল হাংগাৰ ইনডেক্সত ভাৰতৰ স্থান শোচনীয়ৰ তালিকাত তালিকাভুক্ত হোৱাত চৰকাৰক উভতি ধৰিছে বিৰোধীয়ে। বিপৰীতে ভাৰত চৰকাৰে পূৰ্বৰ বৰ্ষসমূহৰ দৰেই এই প্ৰতিবেদনক ভিত্তিহীন বুলি উৰুৱাই দিবলৈ চেষ্টা অব্যাহত ৰাখিছে। চৰকাৰ-বিৰোধীৰ এই অভিযোগ-প্ৰতিভিযোগৰ মাজতে ক্ষুধাতুৰৰ তালিকাই আকৌ এবাৰ দেশখনৰ ভয়াৱহ ছবি পুনৰবাৰ স্পষ্টকৈ পৰিস্ফুট কৰি তুলিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জেৰাইত আজি অগপৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা

আছিল বুলি অগপৰ নেতাই দাবী কৰিছিল। অগপই আভ্যন্তৰীণ প্ৰতিবেদন প্ৰকাশ কৰি গুৰুতৰ অভিযোগ আনিছিল। অগপৰ উজনিৰ প্ৰভাৱশালী নেতা ভৰেন ভড়ালী আৰু প্ৰদীপ হাজৰিকাই এই প্ৰতিবেদন প্ৰকাশ কৰি খোদ বিজেপিৰ শীৰ্ষ নেতাই স্থানীয় নেতাক অৱজ্ঞা কৰাৰ অভিযোগ আনিছিল। ইমানে নহয় আওপকীয়াকৈ দুটা সমষ্টিত নিৰ্বাচনৰ সময়ত সমস্ত দিশৰ নেতৃত্ব দিবলৈ উজনি অসমৰ তেনে কোনো নেতা নাছিল বুলি গুৰুতৰ অভিযোগ আনিছিল। কিয়নো সেই সময়ত উজনিৰ প্ৰভাৱশালী নেতা সৰ্বানন্দ সোণোৱাল খোদ প্ৰাৰ্থী হোৱাৰ ফলত সমষ্টি এৰি যাব পৰা নাছিল নাইবা নিৰ্বাচনী প্ৰচাৰৰ দায়িত্ব ল'ব পৰা নাছিল। তেনে সময়তে অগপই নিজাববীয়া সমীক্ষা প্ৰকাশ কৰি যোৰহাট সমষ্টিত তপন গগৈ বৃহৎ ভোটত জিকিব নোৱাৰি বুলি ভৱিষ্যতদ্বাণী কৰিছিল। একপ্ৰকাৰ জয়ী হ'ব নোৱাৰে বুলিয়েই কৈছিল। বিজেপিৰ সহযোগী দল অগপই ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ পৰা যেন শিক্ষা ল'লে। অইন নেতাক ভৰষা কৰি নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ বিপৰীতে উজনি অসমৰ নেতাক সক্ৰিয় কৰি দলটোৰ নেতাসকলক নিজৰ ভৰিত পুনৰ থিয় কৰোৱাৰ প্ৰয়াস কৰিছে অগপই। বিশেষকৈ অগপই উজনি অসমত নেতাসকলক শক্তিশালী কৰাৰ লগতে দলৰ সাংগঠনিক ভেটি শক্তি কৰিবলৈ প্ৰথম প্ৰয়াসত নতুন আৰু পুৰণি নেতাক একেখন পতাকাৰ তলত একত্ৰিত কৰি পূৰ্বৰ সেই আবেগ পুনৰ ৰাজইৰ মাজলৈ নিব খুজিছে। অসম আন্দোলন, ৮৫৫ জন শ্বহীদৰ ত্যাগক সাৰথি কৰি অগপই পুনৰ ৰাইজৰ মাজলৈ যাবৰ বাবে কঁকালত টঙালী বান্ধিছে। প্ৰথম পদক্ষেপ হিচাপে উজনি অসমত অনুষ্ঠিত কৰিছে কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস। বিগত কেইবাটাও দিন ধৰি উজনিলৈ কেন্দ্ৰীয় নেতাৰ আহ-যাহ বৃদ্ধি হৈছে। মূল লক্ষ্য হৈছে ২০২৬ চন। ২০২৪ চনৰ নিৰ্বাচনৰ দৰে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত উজনি অসমত নিৰ্বাচনী প্ৰচাৰৰ দায়িত্বত যাতে উজনি অসমৰ নেতা শূন্য নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত কৰা হৈছে। আজি পুৱা ডিব্ৰুগড় জিলাৰ চাবুৱাৰ জেৰাইত পুৱা প্ৰভাতী আৰু পতাকা উত্তোলনৰ পাছতে কেন্দ্ৰীয় দিৱসৰ কাৰ্যসূচী আৰম্ভ হ'ব। ৯:৩০ বজাত শ্বহীদ তৰ্পণ, ১০ বজাত সতীৰ্থ সোঁৱৰণ, ১১ বজাত সাংস্কৃতিক শোভাযাত্ৰা, দিনৰ ১২ বজাত মুকলি সভা, সন্ধা ৫ বজাত বন্তি প্ৰজ্বলন কৰা হ'ব। মুকলি সভাত অসম গণ পৰিষদৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ লগতে কেন্দ্ৰীয় নেতৃত্ব উপস্থিত থাকিব। তিনিদিন পূৰ্বে স্থানীয় বিধায়ক পোনাকণ বৰুৱাই এখন সংবাদমেল সম্বোধন কৰি দলৰ ইতিহাস বৰ্ণনা কৰি কেইবাটাও দিশ স্পষ্ট কৰি দিছে। অগপই দুবাৰকৈ দিছপুৰত অকলে চৰকাৰ গঠন কৰাৰ কথা দোহাৰিছে। তেওঁ অগপ এটা সাধাৰণ দল নহয় বুলি দাবী কৰি ছয় বছৰীয়া অসম আন্দোলনৰ ফলশ্ৰুতিত এই দলৰ জন্ম বুলিও কয়। পুলিচ-চিআৰপিএফৰ গুলীত ৮৫৫ জন লোক শ্বহীদ হৈছিল। খিলঞ্জীয়া লোক শ্বহীদ হৈছিল। হাজাৰ হাজাৰ লোক ঘূণীয়া হৈছিল। বাই-ভনী নিৰ্যাতিতা হৈছিল বুলিও কয় পোনাকণ বৰুৱাই। অসম আন্দোলন, ৮৫৫ জন শ্বহীদৰ বিষয়ক লৈ আগবাঢ়িব খুজিছে অগপ। দলটোৰ প্ৰতি পূৰ্বে মানুহৰ যি সহানুভুতি আছিল সেই সহানুভূতি উভতাই আনিবলৈ প্ৰয়াস কৰিছে। এক কথাত ক'বলৈ গ'লে ২০২৪ চনৰ সংসদীয় নিৰ্বাচনৰ পৰা অগপই বহু কথাই শিকিলে বুলিও মন্তব্য কৰিছে নেতাগৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## গুজৰাটত ৫০০০ কোটিৰ ড্ৰাগছ

৫ হাজাৰ কোটি টকাৰ ৫১৮ কিলোগ্ৰাম কোকেইন জব্দ হৈছে। দিল্লী আৰক্ষী আৰু গুজৰাট আৰক্ষীৰ যুটীয়া অভিযানত অংকলেশ্বৰত কোকেইন জব্দ হয়। অংকলেশ্বৰত অৱকাৰ ড্ৰাগছ লিমিটেড কোম্পানীত তালাচী চলোৱাৰ সময়ত কোকেইন উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ১০ অক্টোবৰত দিল্লী আৰক্ষীৰ বিশেষ চেলে পশ্চিম দিল্লীৰ ৰমেশ নগৰৰ এখন ভাড়াৰ দোকানৰ পৰা ২ হাজাৰ কোটি টকাৰ ২০০ কিলোগ্ৰাম কোকেইন জব্দ কৰিছিল। স্নেক্সৰ প্লাষ্টিকৰ পেকেটৰ ভিতৰত লুকুৱাই ৰাখিছিল। য'ত 'টেষ্টি ট্ৰিট' আৰু 'চাটপাটা মিশ্ৰণ' লিখা আছিল। কাৰ্টনত ৰখা প্ৰায় ২০-২৫টা পেকেট এখন সৰু ঠেক দোকানৰ পৰা উদ্ধাৰ কৰা হৈছিল। দক্ষিণ দিল্লীৰ মহিপালপুৰৰ এটা গুদামৰ পৰা বিশেষ চেলে ৫৬০ কিলোগ্ৰামতকৈ অধিক কোকেইন আৰু ৪০ কিলোগ্ৰাম হাইড্ৰ'পনিক মাৰিজুৱেনা জব্দ কৰাৰ এসপ্তাহৰ পাছতে আজি গুজৰাটত অভিযান চলে। অভিযানত বৃহৎ পৰিমাণৰ কোকেইন জব্দ কৰা হৈছে। গোচৰত ভাৰত কুমাৰ, হিমাংশু কুমাৰ আৰু ঔৰঙ্গজেব চিদ্দিকীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। পৰৱৰ্তী সময়ত অমৃতসৰ আৰু চেন্নাইৰ পৰা আন দুজনক আটক কৰা হৈছে। পিছত আৰক্ষীয়ে উত্তৰ প্ৰদেশৰ হাপুৰৰ পৰা এজনক গ্ৰেপ্তাৰ কৰে। দিল্লী আৰক্ষীয়ে উল্লেখ কৰা মতে, অভিযুক্ত তুষাৰ গোৱেলৰ কেইবাখনো ফটো ছচিয়েল মিডিয়া একাউন্টত পোৱা গৈছে। য'ত তেওঁ বহু ৰাজনীতিকৰ সৈতে পোজ দিয়া দেখা গৈছে। এফালে মোদী চৰকাৰে 'ড্ৰাগফ্ৰী ইণ্ডিয়া'ৰ বাবে এক শূন্য সহনশীলতা নীতি গ্ৰহণ কৰাৰ কথা হয়। আনহাতে মোদীৰ নিজ গৃহ ৰাজ্যতে জব্দ কৰি থকা হৈছে হাজাৰ হাজাৰ কেজি ড্ৰাগছ। গুজৰাটত পুনৰ এনেদৰে ড্ৰাগছ উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ দেশতে চাঞ্চল্যৰ সৃষ্টি কৰিছে।

### ১০ বছৰ কাৰাগাৰত থকাৰ অন্তত নিৰ্দোষী ঘোষণা কৰিছিল আদালতে

# ইউপিএ গোচৰৰ পৰা মুক্তি পোৱাৰ ৭ মাহ পিছত মানৱাধিকাৰ কৰ্মী জিএন চাইবাবাৰ মৃত্যু

**নতুন দিল্লী, ১৩ অক্টোবৰঃ** এয়া মৃত্যু নহয়, এয়া যেন দেখদেখকৈ হত্যা! দিল্লী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক জি এন চাইবাবাৰ মৃত্যুৰ পাছতে এই অভিযোগ উত্থাপন কৰিছে বিভিন্নজনে। সামাজিক মাধ্যমত হত্যা আখ্যা দি গণতন্ত্ৰ, সংবিধান তথা মৌলিক অধিকাৰক লৈ প্ৰশ্ন তুলিছে। মাওবাদীৰ সম্পৰ্ক থকাৰ অভিযোগত দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপক জি এন চাইবাবাক গ্ৰেপ্তাৰ কৰা হৈছিল এটা দশক পূৰ্বে। কিন্তু এটা দশক কাৰাগাৰৰ অন্ধকাৰ কুঠৰীত নিক্ষেপ কৰাৰ অন্তত চলিত বৰ্ষৰ আৰম্ভণিতে নিৰ্দোষী সাব্যস্ত হোৱাত মুকলি কৰি দিয়া হয়। এটা দশক কাৰাগাৰত কটোৱা জি এন ছাইবাবাই শনিবাৰে সন্ধিয়া মৃত্যু বৰণ কৰে। নিশা প্ৰায় ৮ বজাত হৃদৰোগত আক্ৰান্ত হৈছিল আৰু নিশা ৮:৩০ বজাত মৃত ঘোষণা কৰা হৈছিল। পিত্তথলীৰ পাথৰৰ অস্ত্ৰোপচাৰৰ পিছতে ৫৭ বছৰীয়া চাইবাবাৰ মৃত্যু হয়। ছাইবাবাই দিল্লী বিশ্ববিদ্যালয়ৰ চাকৰি ঘূৰাই পাবলৈ আইনী যুঁজ দি আছিল। ঘনিষ্ঠসকলে কয় যে গোচৰৰ অন্তিম শুনানি ছেপ্টেম্বৰত হৈছিল। শৈশৱতে পলিঅ' সংক্ৰমণ হোৱাত কঁকালত পক্ষাঘাতগ্ৰস্ত হৈ একপ্ৰকাৰ নিম্ন অংশ কাম নকৰা হৈছিল। কাৰাগাৰৰ বাহিৰত আৰু ভিতৰত হুইল চেয়াৰত দিন কটোৱা চাইবাবা হায়দৰাবাদৰ চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানত চিকিৎসাধীন হৈ আছিল। ১০ দিন পূৰ্বে ভৰ্তি কৰোৱা হৈছিল। দিল্লী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিষয়ৰ অধ্যাপক চাইবাবাক ৫ মাৰ্চত বোম্বাই উচ্চ ন্যায়ালয়ৰ নাগপুৰ বিচাৰপীঠে নিৰ্দোষ সাব্যস্ত কৰে আৰু ৭ মাৰ্চত নাগপুৰ কেন্দ্ৰীয় কাৰাগাৰৰ পৰা মুকলি কৰি দিয়া হৈছিল। জেএনইউৰ ছাত্ৰ হেম মিশ্ৰ আৰু উত্তৰাখণ্ডস্থিত সাংবাদিক প্ৰশান্ত ৰাহিৰ সৈতে চাইবাবাই নিষিদ্ধ সংগঠনৰ নেতাৰ সৈতে এখন বৈঠকৰ আয়োজন কৰাৰ অভিযোগ উঠিছিল। কাৰাগাৰত থকা সময়ছোৱাত তেওঁৰ পৰিয়াল আৰু বন্ধুবৰ্গই স্বাস্থ্য দ্ৰুত গতিত অৱনতি হোৱাৰ বাবে জোৰ দি মুক্তিৰ বাবে জোৰ দিছিল। কিন্তু মুক্তি দিয়া নহ'ল। চাইবাবাক ২০১৪ চনৰ ৯ মে'ত গ্ৰেপ্তাৰ কৰা হৈছিল। কেইবাজনো লোকক মহাৰাষ্ট্ৰৰ গড়চিৰোলী আৰক্ষীয়ে নিষিদ্ধ কমিউনিষ্ট পাৰ্টি অৱ ইণ্ডিয়া মাওবাদীৰ গোট ৰিভলিউচনৰী ডেমক্ৰেটিক ফ্ৰন্টৰ সদস্য বুলি অভিযোগ উত্থাপন কৰা হৈছিল। কাৰাগাৰত থকাৰ সময়তে মাতৃৰ লগতে পৰিয়ালৰ লোকে মৃত্যুক আকোৱালি লৈছিল। চাইবাবাৰ মুক্তিৰ হকে গঠিত সমিতিৰ দীপক কুমাৰে কয় যে ১৮ ছেপ্টেম্বৰত দিল্লীৰ বিমানবন্দৰত বিদায় জনাই আহিছিলো। পিত্তথলীত অত্যাধিক বিষত ভুগি আছিল। বসন্ত কুঞ্জৰ এখন চিকিৎসালয়লৈ আৰু এইমছলৈও নিছিল। কিন্তু অৱশেষত হায়দৰাবাদৰ এনআইএমএছত ভৰ্তি কৰাৰ সিদ্ধান্ত লৈছিল। তাত তেওঁৰ পৰিয়াল আছিল আৰু ভবা হৈছিল যে চিকিৎসাধীন প্ৰক্ৰিয়া সহজ হ'ব। দীপক কুমাৰে আৰু কয় যে তেওঁ স্বাস্থ্যৰ অৱস্থা উন্নত হ'লেই মানৱ অধিকাৰৰ বাবে কাম কৰাৰ কথা কৈছিল। এই মাহৰ আৰম্ভণিতে পিত্তথলী আঁতৰোৱা হৈছিল। অস্ত্ৰোপচাৰ সফল হৈছিল আৰু তেওঁ সুস্থ হৈছিল। মই ৬ অক্টোবৰত তেওঁৰ সৈতে শেষবাৰৰ বাবে কথা পাতিছিলো। কিন্তু ৭ অক্টোবৰৰ পৰা স্বাস্থ্যৰ অৱস্থা বেয়াৰ ফালে গৈছিল। দিল্লী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক নন্দিতা নাৰায়ণে কয় যে আটাইতকৈ দুৰ্ভাগ্যজনক কথা এয়াই যে তেওঁ নিৰ্দোষ সাব্যস্ত কৰাৰ পিছত ঘৰলৈ উভতি আহিছিল আৰু বিষয়বোৰ স্বাভাৱিক হৈ নুঠিল। তেওঁ এজন মেধাৱী ব্যক্তি আছিল আৰু তেওঁক হেৰুৱাটো বৰ দুখজনক। আমি তেওঁৰ উত্তৰাধিকাৰী আৰু তেওঁৰ সাহস জীয়াই ৰাখিব লাগিব। তেওঁ ১০ দিন আগতে এনআইএমএছত ভৰ্তি হোৱাৰ পিছৰে পৰা পৰিয়ালটোৰ সৈতে যোগাযোগ কৰি আছিলো। বোম্বাই উচ্চ ন্যায়ালয়ৰ নাগপুৰ বিচাৰপীঠৰ ন্যায়াধীশ বিনয় যোশী আৰু বাল্মীকি এছ এ মেনেজেছৰ এটা খণ্ড বিচাৰপীঠে তেওঁৰ ওপৰত আৰোপ কৰা আজীৱন কাৰাদণ্ডৰ ৰায় বাতিল কৰে। গোচৰটোৰ আন পাঁচজন অভিযুক্তক নিৰ্দোষ সাব্যস্ত কৰে। বিচাৰপীঠে কৈছিল যে সকলো অভিযুক্তক মুক্তি দিছিল। কিয়নো অভিযুক্তপক্ষই তেওঁলোকৰ বিৰুদ্ধে সন্দেহৰ বাহিৰে যুক্তিসংগত প্ৰমাণ দিয়াত ব্যৰ্থ হৈছিল। নিৰ্দোষ সাব্যস্ত কৰাত চাইবাবাই সংবাদমাধ্যমক কৈছিল যে মই কাৰাগাৰত ১০ বছৰতকৈও অধিক সময় হেৰুৱালো। মই যোৱা দশকটো কাৰাগাৰৰ চেলত অতিবাহিত কৰিছো। সাধাৰণতে প্ৰতিটো চেলত মাত্ৰ এজন কয়দী ৰাখে। কিন্তু কাৰাগাৰ কৰ্তৃপক্ষই মোৰ সৈতে দুজন সহ-অভিযুক্ত পাণ্ডু নাৰোটে আৰু মহেশ তিৰ্কিক ৰাখিছিল। যিহেতু মই হুইলচেয়াৰত আৱদ্ধ আছিলো। মোৰ পাঁচ বছৰ বয়সত পলিঅ' সংক্ৰমণ হৈছিল। কঁকালত পক্ষাঘাতগ্ৰস্ত হৈছিল। এনেদৰে কাৰাগাৰত থাকিয়েই মৃত্যুক সাবতি লোৱা ঘটনাই এতিয়া সমগ্ৰ দেশৰ লগতে বিদেশতো চৰ্চা লাভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাবা ছিদ্দিকিক হত্যা, উত্তাল মহাৰাষ্ট্ৰ

গাড়ীত বহিবলৈ ধৰাৰ সময়তে দুৰ্বৃত্তই বাবা ছিদ্দিকিক লক্ষ্য কৰি কেইবা জাই গুলী চলাইছিল। তাৰ তিনিটা গুলী ছিদ্দিকিৰ দেহত লাগিছিল। এটা বুকু ভেদি যায় আৰু আন দুটা গুলী পেটত লাগে। ততাতৈয়াকৈ সমীপৱৰ্তী লীলাৱতি হাস্পতালত ভৰ্তি কৰি হয় যদিও নিশা ১১ বজাত হাস্পতাল কৰ্তৃপক্ষই মৃত ঘোষণা কৰে। মৃত্যুৰ সময়ত বাবা ছিদ্দিকিৰ বয়স আছিল ৬৬ বছৰ। ছিদ্দিকিক গুলীয়াই হত্যাৰ খবৰে সমগ্ৰ দেশত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিশাই মুম্বাইৰ চিদ্দিকীৰ ঘৰৰ সন্মুখত আৰু লীলাৱতি হাস্পতালত তেওঁৰ সমৰ্থসকল সমবেত হয়। সেই সময় পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষী-অৰ্ধসামৰিক বাহিনী নিয়োগ কৰিবলগীয়া হয়। নিশাই লীলাৱতি হাস্পতালত মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰণৱীছসহ কেইবাগৰাকী কংগ্ৰেছ, বিজেপি আৰু এনচিপিৰ নেতা উপস্থিত হয়। নিশাই সংবাদমাধ্যমত সম্বোধন কৰি মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ চিন্দেয়ে চিদ্দিকীৰ মৃত্যু নিশ্চিত কৰিছিল। মুখ্যমন্ত্ৰী শিন্দে কৈছিল যে এই ঘটনাত জড়িত দুজন দুৰ্বৃত্তক গ্ৰেপ্তাৰ কৰা হৈছে আৰু এজন পলাতক। গ্ৰেপ্তাৰ কৰা এজন ব্যক্তি হাৰিয়ানাৰ আৰু এজন উত্তৰ প্ৰদেশৰ। একনাথ সিন্ধেই কয় যে প্ৰাক্তন মন্ত্ৰী বাবা ছিদ্দিকিৰ ওপৰত এক মাৰাত্মক আক্ৰমণ কৰা হৈছিল। দুৰ্ভাগ্যবশতঃ, তেওঁৰ মৃত্যু হৈছে। এইটো এটা অতি দুৰ্ভাগ্যজনক আৰু দুখজনক ঘটনা। আৰক্ষী আয়ুক্তই মোক জনোৱা মতে, দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে। তৃতীয় অভিযুক্তজনক ধৰিবলৈ আৰক্ষীৰ এটা দল নিযুক্ত হৈ আছে। তিনিওজনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইপিনে নিশাই মুম্বাই আৰক্ষীৰ অপৰাধ শাখাক ঘটনা তদন্তৰ দায়িত্ব দিয়া হয়। পুৱা ছিদ্দিকিৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে কুপাৰ চিকিৎসালয়লৈ নিয়া হয়। আজি দিনৰ প্ৰায় ১২ বজাত মৃতদেহ নিজ ঘৰলৈ অনা হয়। দিনৰ এক বজাৰে পৰা মৃতদেহ ঘৰত ৰখা হয়। সেইখিনি সময়ত বলিউদৰ অভিনেতা-অভিনেত্ৰী, শাসক বিৰোধীৰ বিভিন্ন নেতাই ঘৰলৈ আহি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বাবা ছিদ্দিকিৰ মৃতদেহ নিশা ৮.৩০ বজাত সমাধিস্থ কৰা হয়। জানিব পৰা মতে, মহা নৱমী উপলক্ষে ফুটকা ফুটাই থকাৰ সময়তে ছিদ্দিকিক গুলীচালনা কৰিছিল। গুলী তেওঁৰ বুকুত আঘাত কৰিছিল। সমৱেত লোকে উৱাদিহ পোৱা নাছিল যদিও গাড়ীৰ ভিতৰত চিদ্দিকীক ৰক্তাক্ত অৱস্থাত উদ্ধাৰ হয়। লগে লগে হুৱা-দুৱা লাগে। একাংশ লোকে গুলীচালনা কৰা দুৰ্বৃত্তক খেদি যায়। কিছু নিলগত মজুত আৰক্ষীয়ে সেই দুৰ্বৃত্তক ধৰিবলৈ খেদি যায়। আৰক্ষীয়ে গুৰমাইল বলজিৎ সিং আৰু ধৰমৰাজ ৰাজেশ কাশ্যপ নামৰ শ্বুটাৰ দুজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এজন শ্বুটাৰ বৰ্তমানেও পলাতক। তিনিওজনৰ ঘৰ উত্তৰ প্ৰদেশ আৰু হাৰিয়ানাত। তিনিও ভাড়াতীয় শ্বুটাৰ আছিল। তেওঁলোকৰ সম্পৰ্ক গেংষ্টাৰ লৰেন্স বিষ্ণোইৰ সৈতে থকা বুলি খবৰ প্ৰকাশ পাইছে। ছিদ্দিকিক হত্যাকাণ্ডৰ পাছতে চলমান খানৰ সৈতে বন্ধুত্ব কৰিয়েই প্ৰাণ দিবলগীয়া হোৱা বুলি চৰ্চা হয়। খোদ গেংষ্টাৰ লৰেন্স বিষ্ণোইৰ লোকে ফেচবুকত পোষ্ট দি ছিদ্দিকিৰ মৃত্যুৰ দায়িত্ব স্বীকাৰ কৰিছে। ভাৰতৰ বিষ্ণোই সম্প্ৰদায়ে পবিত্ৰ গণ্য কৰা কৃষ্ণসাৰ হত্যাৰ পাছৰে পৰা চলমান খানক হত্যাৰ ভাবুকি দি আহিছে গেংষ্টাৰ লৰেন্সে। ইতিমধ্যে চলমান খানৰ ঘৰত গুলীচালনা কৰাৰ লগতে পৰিয়ালক ভাবুকি দি আহিছে। আজিও লৰেন্স বিষ্ণোইৰ লোকে ফেচবুকত দিয়া পোষ্টত চলমান খানৰ বাবে হত্যা কৰাৰ কথা উল্লেখ কৰিছে। খবৰ মতে, বাবা চিদ্দিকীক ১৫ দিন পূৰ্বে ভাবুকি প্ৰদান কৰা হৈছিল। তেওঁক ৱাই-শ্ৰেণীলৈ বৃদ্ধি কৰা হৈছিল। তেনে অৱস্থাতো ছিদ্দিকিক হত্যা কৰা হয়। মহাৰাষ্ট্ৰৰ উপ মুখ্যমন্ত্ৰী অজিত পাৱাৰ ছিদ্দিকিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ কয় মই বিশ্বাস কৰিব পৰা নাই। মই এজন ভাল সহকৰ্মী আৰু বন্ধুক হেৰুৱালো। মই এই কাপুৰুষোচিত আক্ৰমণক তীব্ৰ গৰিহণা দিছো। মই বাবা চিদ্দিকীলৈ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে বাবা চিদ্দিকীৰ হত্যাৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি যিমান সম্ভৱ সোনকালে দোষীক কঠোৰ শাস্তিৰ দাবী জনাইছে। মল্লিকাৰ্জুন খাৰ্গে লিখিছিল মই মহাৰাষ্ট্ৰৰ প্ৰাক্তন মন্ত্ৰী বাবা চিদ্দিকীৰ দুখজনক মৃত্যুৰ প্ৰতিবাদ জনাবলৈ ভাষা বিচাৰি পোৱা নাই। দুখৰ সময়ত মই তেওঁৰ পৰিয়াল, বন্ধুবৰ্গ আৰু সমৰ্থকসকলৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰিছো। লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে টুইট কৰি কয় যে এই ভয়ংকৰ ঘটনাই মহাৰাষ্ট্ৰত আইন-শৃংখলাৰ সম্পূৰ্ণ বিফলতাৰ ওপৰত আলোকপাত কৰিছে। প্ৰায় ৪৮ বছৰ ধৰি কংগ্ৰেছত থকা বাবা চিদ্দিকীয়ে এই বছৰৰ ফেব্ৰুৱাৰীত এনচিপি অজিত পাৱাৰ গোটত যোগদান কৰে। বাবা চিদ্দিকী যোৱা তিনিৰ পৰা চাৰি দশক ধৰি ৰাজনীতিত সক্ৰিয় আছিল। ১৬-১৭ বছৰ বয়সৰ পৰা কংগ্ৰেছৰ সৈতে জড়িত আছিল। এনচিপি অজিত গোটত যোগদান কৰিছিল। বাবা চিদ্দিকীৰ দখল ৰাজনীতিত যিমান আছিল বলীউদত সিমানে আছিল। ১৯৫৮ চনৰ ৩০ ছেপ্টেম্বৰত জন্মগ্ৰহণ কৰা বাবাই বাণিজ্যতক স্নাতক লৈকে শিক্ষা লাভ কৰিছিল। মুম্বাই প্ৰদেশ কংগ্ৰেছৰ সদস্য হৈছিল। ১৯৯২ আৰু ১৯৯৭ চনত বাবা চিদ্দিকী কংগ্ৰেছৰ টিকটত মুম্বাই নাগৰিক সংস্থাৰ কৰ্পোৰেটৰ নিৰ্বাচিত হৈছিল। ১৯৯৯ চনত প্ৰথমবাৰৰ বাবে বান্দ্ৰা পশ্চিমৰ পৰা বিধান সভালৈ নিৰ্বাচিত হয়।২০১৪ চনলৈকে বিধায়ক নিৰ্বাচিত হৈ আছিল। ২০০৪ চনৰ নৱেম্বৰৰ পৰা ২০০৮ চনৰ ডিচেম্বৰ লৈকে মহাৰাষ্ট্ৰৰ বিলাসৰাও দেশমুখ চৰকাৰৰ খাদ্য যোগান মন্ত্ৰী আছিল। বাবা চিদ্দিকী ২০১৪ চনৰ পৰা মুম্বাই কংগ্ৰেছৰ উপ-সভাপতি আছিল। বিগত বিধানসভা নিৰ্বাচনত বাবা চিদ্দিকী বিজেপিৰ আশীষ শ্বেলাৰৰ হাতত পৰাজিত হৈছিল। ২০১৭ চনত ইডিয়ে বাবা চিদ্দিকীৰ ঘৰত ধন ৰপ্তানিৰ গোচৰত তালাচী চলাইছিল। দেশৰ বাণিজ্য নগৰীত এনেদৰে এগৰাকী ৰাজনেতাক গুলীয়াই হত্যাৰ পাছতে আইন-শৃংখলাক লৈ গুৰুতৰ প্ৰশ্ন উত্থাপন হৈছে। ইয়াৰ পূৰ্বৰ চাৰি মাহত দুই নেতাক গুলীয়াই হত্যা কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছত্ৰ ভংগ স্তুৰংগমে!

বিঘিনি ঘটোৱা দেখা নগ'ল। শৰতৰ নাতিশীতোষ্ণ পৰিৱেশত ষষ্ঠীৰ বেদীত প্ৰতিষ্ঠা কৰা দেৱীয়ে বিজয়া দশমীৰ বিষণ্ণ বেলা ধৰাৰ পৰা বিদায় ল'লে। বলয় ধাৰণ কৰি ভক্তসকলে ঢাক-ঢোল, শংখ-ঘন্টাৰ ঐক্যতান, অবিৰত জয়ধ্বনি-মংগলধ্বনিৰে মাজেৰে পৰম্পৰা অনুসৰি দেৱীৰ মৃন্ময় প্ৰতিমা নৈত বিসৰ্জন দিলে। দেৱী দুৰ্গাৰ বিদায়ৰ লগে লগে পুনৰ এটা বছৰৰ বাবে নিজম হৈ পৰিল পূজাথলী। দোলাত উঠি মৰ্ত্যলৈ অহা দেৱীয়ে ঘোঁৰাত উঠি গমন কৰিলে কৈলাশ ধামলৈ। বিদায়ৰ ক্ষণত সাষ্টাংগে প্ৰণিপাত জনাই হাজাৰ হাজাৰ ভক্তই বিচাৰিলে দেৱীৰ আশীষ। বিজয়া দশমী এইবাৰ ১২ অক্টোবৰতে পৰি ১৩ অক্টোবৰৰ পুৱালৈ লগ্ন থকাত বহু পূজা কমিটিয়ে আজি প্ৰতিমা বিসৰ্জন দিয়া দেখা গ'ল। কোনো কোনো পূজা কমিটিয়ে আকৌ ১২ অক্টোবৰৰ দিনটোতেই প্ৰতিমা বিসৰ্জন দিয়ে। গুৱাহাটী মহানগৰীৰ কাছাৰী ঘাটৰ লগতে ৰাজ্যৰ প্ৰতিখন ঠাইতে বিসৰ্জনস্থলীত কটকটীয়া নিৰাপত্তা আৰু প্ৰশাসনে ধাৰ্য কৰি দিয়া নিয়মৰ মাজেৰে পূজা কমিটিসমূহে প্ৰতিমা বিসৰ্জন দিয়ে। দুই-এখন ঠাইত হোৱা সামান্য খামখেয়ালিৰ বিপৰীতে এইবাৰ বিসৰ্জন একপ্ৰকাৰ শান্তিপূৰ্ণভাৱেই হৈ যায়। তেজপুৰত বিসৰ্জন স্থলীত দুৰ্গা পূজাৰ প্ৰতিমাৰ লগতে ১৭ ছেপ্টেম্বৰতে হৈ যোৱা বিশ্বকৰ্মা পূজাৰ প্ৰতিমা বিসৰ্জন দিবলৈ অনাক লৈ নাভূত-নাশ্ৰুত পৰিৱেশৰ সৃষ্টি হোৱা দেখা যায়। আনহাতে, গোলাঘাট জিলাৰ অন্তৰ্গত মৰঙিৰ সাৰগাৰত দেৱী প্ৰতিমা লণ্ড-ভণ্ড কৰাৰ ঘটনা জানিব পৰা গৈছে। শনিবাৰে নিশা অচিনাক্ত দুৰ্বৃত্তই এই কাণ্ড সংঘটিত কৰাকলৈ ভক্তৰ মাজত তীব্ৰ উত্তেজনাই বিৰাজ কৰে। দেওবাৰে প্ৰতিমা বিসৰ্জন দিয়াৰ প্ৰাকক্ষণত নিশা দুৰ্বৃত্তই কৰা এনে কামক সকলোৱে গৰিহণা দিছে। ইতিমধ্যে ঘটনাৰ সৈতে জড়িত আমান বাৰাক নামৰ এজনক গোলাঘাট আৰক্ষীয়ে আটক কৰিছে। ইফালে, প্ৰতিমা বিসৰ্জনৰ সময়ত মহানগৰীত শনিবাৰ আৰু দেওবাৰে যথেষ্ট যান-জঁট হোৱা দেখা যায়। অৱশ্যে বিগত বৰ্ষৰ তুলনাত সেয়া কম আছিল। উল্লেখ্য যে, এইবাৰ দেৱীয়ে ঘোঁৰাত উঠি গমন কৰিছে। শাস্ত্ৰমতে 'ছত্ৰভংগে স্তুৰংগমে' অৰ্থাৎ ঘোঁৰাত উঠি দেৱী গমন কৰিলে ধৰাৰ বুকুত কটাকটি, মৰামৰি, যুদ্ধ বিগ্ৰহ, অশান্তি, প্ৰাণহানি, প্ৰাকৃতিক দুৰ্যোগ, ৰাজনৈতিক অস্থিৰতা, চৰকাৰৰ পতন আদিৰ দৰে অনাহূত পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ আশংকা থাকে। সেয়া হ'লেও বিজয়া দশমীত দেৱীক বছৰটোৰ বাবে বিদায় জনাই সকলো ভক্তই পৃথিৱীলৈ শান্তি নামি আহিব বুলি আশা প্ৰকাশ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আপোনঘাতী বিধায়ক মানৱ ডেকাৰ

সিদ্ধান্ত লোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিধায়কৰ ভাতৃয়ে জীৱনৰ মায়া-মোহ এৰি নিজৰ জীৱনটো নিজেই শেষ কৰি পেলালে। এই ঘটনা সংঘটিত হৈছে লখিমপুৰ চহৰত। লখিমপুৰৰ বিধায়ক মানৱ ডেকাৰ ভাতৃ কল্যাণ ডেকাই আত্মহনন পথ বাছি লয়। জানিব পৰা মতে, গুৱাহাটীৰ অসম সচিবালয়ত চাকৰি কৰা কল্যাণ ডেকা কিছুদিন ধৰি লখিমপুৰৰ ঘৰতে আছিল। শনিবাৰে বিধায়ক ডেকাও লখিমপুৰতে আছিল। কিন্তু নিশা লখিমপুৰৰ ঘৰত কোনো নাছিল। তেনে অৱস্থাতে নিশা প্ৰায় ১২ বজাত কোঠালিত সন্দেহজনক অৱস্থাত উদ্ধাৰ হয় কল্যাণ ডেকাৰ মৃতদেহ। সন্দেহ কৰা মতে, পৰিয়ালৰ পৰা অৱজ্ঞা তথা বিভিন্ন কাৰণত হতাশগ্ৰস্ত অৱস্থাত দিন কটাইছিল মানৱ ডেকাৰ ভাতৃ কল্যাণ ডেকাই। খোদ এগৰাকী বিধায়কৰ ভাতৃয়ে এনে চৰম পন্থা লোৱা কাৰ্যক মানি ল'ব পৰা নাই লখিমপুৰবাসীয়ে। ৰাজ্যখনত আপোনঘাতী এক মহাব্যধিত পৰিণত হৈছে। কিন্তু টকা-পইছাৰ অভাৱ, খ্যাতিৰ অভাৱ নথকা পৰিয়ালৰ সদস্যই এনে পন্থা লোৱাৰ কাৰণ নিশ্চয়কৈ অন্য হ'ব। পৰিয়ালৰ পৰা অৱজ্ঞা, হীনদৃষ্টি, সম্পত্তিৰ ভাগ-বটোৱাৰা আদিৰ বাবেই বিধায়কৰ চাকৰিয়াল ভাতৃগৰাকীয়ে হতাশাত ভুগি এনে সিদ্ধান্ত ল'ব পাৰে বুলি একাংশ ৰাইজৰ মাজত চৰ্চা চলা দেখা গৈছে। আনহাতে এগৰাকী চিকিৎসকে জনোৱা মতে দীৰ্ঘদিন ধৰি মানসিক অৱস্থা দুৰ্বল আছিল কল্যাণৰ। বিগত ৫ বছৰ মানৰ পৰা তেওঁ 'বাই পোলাৰ ডিপ্ৰেচন' নামৰ মানসিক ৰোগত আক্ৰান্ত হৈ আছিল। চিকিৎসক চামিউল আখটাৰ বৰবৰাই জনোৱা মতে কেইবছৰ মানৰ পৰা তেওঁৰ চিকিৎসাও চলি আছিল । চিকিৎসা চলি থকাৰ মাজতে এই ঘটনাটো সংঘটিত হয় । মানসিক অস্থিৰতাৰ বাবেই তেওঁ এই ঘটনা সংঘটিত কৰিছে বুলি সকলোৱে সন্দেহ কৰিছে। অপ্ৰত্যাশিত ঘটনাটোক লৈ লখিমপুৰত শোকাকুল পৰিৱেশ বিৰাজ কৰিছে। ইফালে, ভাতৃৰ এই সিদ্ধান্তকলৈ শোক প্ৰকাশ কৰিছে বিধায়ক মানৱ ডেকাই। ইণ্ডিয়া টুডে এন ইৰ সৈতে হোৱা কথা-বতৰাত বিধায়ক মানৱ ডেকাই জানিবলৈ দিয়ে যে, ভাতৃ কল্যাণ ডেকাই বৰ্তমান কাৰাগাৰত থকা ডাঃ সংগীতা দত্তৰ অধীনত চিকিৎসা গ্ৰহণ কৰিছিল। কাৰাগাৰলৈ যোৱাৰ আগলৈকে ভাতৃয়ে সংগীতা দত্তৰ তত্বাৱধানত চিকিৎসা গ্ৰহণ কৰি আছিল ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পূজাৰ বতৰত ৩০ কোটিৰ সুৰা বিক্ৰী

বিক্ৰী হৈছিল। বিগত কেইবাটাও দশকৰ ভিতৰত এইবাৰৰ বিক্ৰীয়ে এনেকৈয়ে গঢ়িছে অভিলেখ। আবকাৰী বিভাগৰ তথ্য মতে, বিগত চাৰিটা দিনত গুৱাহাটীত প্ৰায় ৩০ কোটি টকাৰ সুৰা বিক্ৰী হৈছে। এক কথাত মাহে মাহে ঋণ লৈ চৰকাৰ চলাই থকা চৰকাৰখনৰ বাবে সুৰাপায়ীসকলে বৃহৎ অৱদান আগবঢ়াইছে। অসমৰ অৰ্থনীতি মজবুত কৰিবলৈ সুৰাপায়ীসকলে বৃহৎ যোগদান দিলে। কেৱল ষষ্ঠীৰ দিনটোতে প্ৰায় ৮ কোটি টকাৰ সুৰা বিক্ৰীৰ কথা জানিব পৰা গৈছে। বাকী সপ্তমী, অষ্টমী, নৱমীৰ দিনকেইটাত প্ৰায় ২২ কোটি টকাৰ সুৰা বিক্ৰী হৈছে। ২০২২ চনৰ এক তথ্য মতে, অসমত প্ৰায় ১,৭০০ অনুজ্ঞাপত্ৰযুক্ত সুৰাৰ দোকান আছে। য'ত দেশীয়ভাৱে নিৰ্মিত বিদেশী সুৰা বিক্ৰী কৰা হয়। ৰাজ্যখনত প্ৰায় ১,০০০ খন বাৰ আছে। পাঁচশৰো অধিক দোকান আছে যিয়ে পৰম্পৰাগতভাৱে নিৰ্মিত মদ বিক্ৰী কৰে। সুৰাৰ বিক্ৰীৰ দ্বাৰা বৃহৎ পৰিমাণৰ ৰাজহ লাভ কৰে অসম চৰকাৰে। যাৰ বাবে চৰকাৰ গাঁৱে-ভূৱে সুৰাৰ বিপণী খোলাৰ অনুমতি প্ৰদান কৰি গৈছে। চৰকাৰী তথ্য মতে চলিত ২০২৩-২৪ বিত্তীয় বৰ্ষৰ প্ৰথম পাঁচটা মাহতে অসমত আবকাৰী ৰাজহ সংগ্ৰহ কৰিছে ১,৭১৮.৭৫ কোটি টকা। দৈনিক গড়ে ১০.৮৬ কোটি টকাৰ আবকাৰী ৰাজহ সংগ্ৰহ কৰে অসম চৰকাৰে। সুৰাৰ পৰাই বছৰি প্ৰায় চাৰি হাজাৰ কোটি টকাৰ ৰাজহ সংগ্ৰহ হয়। অসমৰ অৰ্থনীতিত সুৰাপায়ীসকলৰ বিশেষ ভূমিকা আছে। আনহাতে এই ভূমিকাৰ বাবেই চৰকাৰে নতুন নতুন সুৰাৰ বিপণী খোলাৰ অনুমতি দি গৈছে। নৱবৰ্ষ, দুৰ্গা পূজা, কালীপূজা, বিশ্বকৰ্মা, ফাকুৱা, বিহুৰ দৰে উৎসৱ-পাৰ্বনত সুৰা বিক্ৰী ক্ৰমাৎ বৃদ্ধি পাইছে। অৱশ্যে উৎসৱ-পাৰ্বণৰ সময়ত সুৰাৰ বিক্ৰী বৃদ্ধি ভাল নে বেয়া সেয়া সময়ে হিচাপ কৰিব। কিন্তু এনেদৰে উৎসৱ-পাৰ্বণৰ নামত সুৰা বিক্ৰী হ'লে ৰাজকোষলৈ ভালেখিনি ৰাজহ আহে। এইবাৰ গুৱাহাটীৰ সুৰাপায়ীসকলে ৰাজহ প্ৰদানত যেন অভিলেখ গঢ়িলে। উল্লেখ্য যে, কিছুদিন পূৰ্বে সুৰাৰ বিক্ৰী হ্ৰাস পোৱাৰ ফলত আবকাৰী বিভাগে সুৰাৰ বিপণীক টাৰ্গেট পৰ্যন্ত বান্ধি দিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাৰাগাৰৰ দেৱাল বগাই ৫ কয়দীৰ

ৰাজ্যখনৰ কাৰাগাৰ ব্যৱস্থাটোৰ তথাকথিত নিৰাপত্তা ব্যৱস্থাৰ ফোপোলা স্বৰূপ উদঙাই বিভাগটোক হাঁহিয়াতৰ পাত্ৰ সজোৱা এই আটাইকেইটা আচামী শিশুক যৌন নিৰ্যাতন চলোৱাৰ দৰে ভয়ংকৰ অভিযোগত অভিযুক্ত। জানিব পৰা মতে, মৰিগাওঁ জিলা কাৰাগাৰত আৱদ্ধ হৈ থকা চাইফুদ্দিন, জীয়াৰুল ইছলাম, নুৰ ইছলাম, মাফিদুল আৰু আব্দুল ৰচিদ নামৰ এই ৫ আচামীয়ে যোৱা বৃহস্পতিবাৰৰ নিশা ৰহস্যজনকভাৱে পলায়ন কৰে। আনুমানিক নিশা প্ৰায় ১২ৰ পৰা ২ বজাৰ ভিতৰত এই আচামীকেইটাই প্ৰথমে কাৰাগাৰৰ ভিতৰৰ বেৰেকৰ ৰ'ড ভাঙি বেৰেকৰ পৰা ওলায় যায়। বেৰেকৰ পৰা ওলাই গৈ তেওঁলোকক ব্যৱহাৰ কৰিবলৈ দিয়া কম্বল, লুঙী, বিচনা চাদৰ আদি জোৰা লগাই ৰছী তৈয়াৰ কৰে। এই ৰছীৰ সহায়ত চিনেমাৰ কায়দাৰে কাৰাগাৰৰ প্ৰায় ২০ ফুট উচ্চতাৰ দেৱাল বগাই
পাৰ হৈ পলায়ন কৰে আচামীকেইটাই। উল্লেখ্য যে কেইদিনমান পূৰ্বে মৰিগাওঁ জিলাৰ ছাইফুদ্দিন আহমেদ, জিয়াৰুল হক, নুৰ ইছলাম, মফিদুল ইছলাম আৰু আব্দুল ৰছিদ নামৰ পাঁচ অভিযুক্তক পক'চ গোচৰত ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছিল। ঘটনা সন্দৰ্ভত মৰিগাওঁ জিলা কাৰাগাৰ কৰ্তৃপক্ষই জিলা আৰক্ষী অধীক্ষকলৈ প্ৰেৰণ কৰা এক পত্ৰত উল্লেখ কৰা তথ্য অনুসৰি জিলাখনৰ লাহৰীঘাটৰ মাহৰমাৰি পথাৰৰ ছাইফুদ্দিন আহমেদক পক'চ গোচৰত লাহৰীঘাট আৰক্ষীয়ে ১৭৩/২০২৪ নম্বৰত গোচৰ ৰুজু কৰি ৩১ আগষ্টত গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পিছতেই ছাইফুদ্দিনক প্ৰেৰণ কৰিছিল কাৰাগাৰলৈ। একেদৰে শোণিতপুৰ জিলাৰ মিছামাৰী আৰক্ষী থানাৰ অন্তৰ্গত কলাকুছি গাঁৱৰ জিয়াৰুল ইছলামক মৰিগাওঁ জিলাৰ মিকিৰভেটা আৰক্ষী থানাত ১১৯/২০২৪ নম্বৰত ৰুজু হোৱা পক'চ গোচৰত গ্ৰেপ্তাৰ কৰিছিল। যোৱা ২২ আগষ্টত জিয়াৰুলক প্ৰেৰণ কৰিছিল কাৰাগাৰলৈ। ইপিনে, যোৱা ১২ আগষ্টত মৰিগাওঁ জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত আমাৰাগুৰিৰ নুৰ ইছলামকো ২১০/২০২৩ নম্বৰত ৰুজু হোৱা পক'চ গোচৰত কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল। মৰিগাওঁ জিলাৰ মৈৰাবাৰীৰ বৰথল কছাৰীগাঁৱৰ মফিদুল ইছলামক মৈৰাবাৰী আৰক্ষী থানাত ১৪ আগষ্টত ১৬৮/২০২৩ নম্বৰত ৰুজু হোৱা পক'চ গোচৰত গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল। লাহৰীঘাট দেৰগুৰি গাঁৱৰ আব্দুৰ ৰচিদক যোৱা ২৮ মে'ত লাহৰীঘাট আৰক্ষী থানাত ১০৫/২০২৪ নম্বৰত ৰুজু হোৱা পক'চ গোচৰত গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল। পকচ'ৰ দৰে আইনৰ অধীনত গ্ৰেপ্তাৰ হোৱা পাঁচজনকৈ লোকে এনেকৈ পলায়ন কৰাৰ কথা পোহৰলৈ অহাৰ লগে লগে কাৰাগাৰ কৰ্তৃপক্ষৰ মাজত হাহাকাৰ লাগে। ঘটনাৰ খবৰ পাই জিলা আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসৰ নেতৃত্বত এটি আৰক্ষীৰ দল কাৰাগাৰখনত উপস্থিত হৈ তদন্ত আৰম্ভ কৰাৰ লগতে পলাতক কেউজনৰ বিৰুদ্ধে আন এক গোচৰ ৰুজু কৰি সন্ধান অব্যাহত ৰাখিছে যদিও বাতৰি লিখা পৰ্যন্ত কোনো শুংসূত্ৰ লাভ কৰা নাই। ইফালে, বিভাগীয় উৰ্ধতন কৰ্তৃপক্ষই মৰিগাওঁ জিলা কাৰাগাৰৰ জেইলৰ প্ৰশান্ত শইকীয়াক নিলম্বন কৰিছে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই কাৰাগাৰৰ পৰা পাঁচ কয়দী পলায়নৰ ঘটনাৰ এক দণ্ডাধীশ পৰ্য্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। আনহাতে মৰিগাওঁ সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে "এই ঘটনাত মই অত্যন্ত লাজ পাইছো" বুলি প্ৰকাশ কৰি ৰাজ্য এইক্ষেত্ৰত যথোচিত ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাইছে। ইয়াৰ লগতে আন আন বিভিন্ন মহলে জিলা কাৰাগাৰৰ এই ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# জাপানী সংস্থালৈ ২০২৪ বৰ্ষৰ শান্তিৰ

লাভ কৰি আহিছে। ইতিহাস অধ্যয়ন কৰিলে এই কথা স্পষ্ট হৈ পৰে। সেয়া বিশ্বজুৰি খ্যাতি থকা বঁটা-বাহনে হওক নাইবা আন্তঃৰাষ্ট্ৰীয় সংবাদমাধ্যমেই হওক। তেওঁলোকক বিশ্বজনীন কামৰ স্বীকৃতি দি আহিছে। কিন্তু এছিয়া মহাদেশৰ ক্ষেত্ৰত আজিও ক'ৰবাত নহয় ক'ৰবাত কিন্তু এটা ৰৈ যায়। এইবাৰ নোবেল বঁটাৰ ক্ষেত্ৰত কথা কিন্তু কিছু সুকীয়া। নোবেল বঁটাৰ মুখ্য দুই আকৰ্ষণ সাহিত্য আৰু শান্তিৰ নোবেল এছিয়া মহাদেশৰ ব্যক্তি আৰু সংস্থাক প্ৰদান কৰা হৈছে। সাহিত্যত উত্তৰ কোৰিয়াৰ হান কাঙক নোবেল বঁটা প্ৰদান কৰা হয়। তাৰ লগে লগে শান্তিৰ নোবেল লাভ কৰে জাপানী সংস্থা নিহোন হিডানকিয়োকে। শুকুৰবাৰে নিহোন হিডানকিয়োক শান্তিৰ নোবেল বঁটা প্ৰদানৰ কথা ঘোষণা কৰা হয়। নৰৱেৰ নোবেল সমিতিৰ অধ্যক্ষ জুৰ্জেন ৱাটন ফ্ৰাইডনেছে কয় যে পাৰমাণৱিক অস্ত্ৰ নিষিদ্ধকৰণ আৰু নিষিদ্ধকৰণৰ হকে হেঁচা প্ৰয়োগ কৰি অহাৰ ক্ষেত্ৰত পালন কৰা বিশেষ ভূমিকাৰ বাবে সংস্থাটোক এই বঁটা প্ৰদান কৰা হৈছে। এছিয়া মহাদেশে দুটাকৈ নোবোল বঁটা লাভ কৰি বিশ্ববাসীক বিশেষ বাৰ্তা দিবলৈ সক্ষম হৈছে। জাপানী সংস্থা নিহোন হিডানকিয়োক হঠাতে বিশ্বজুৰি চৰ্চালৈ আহিছে। কিয়নো বিশ্বক যুদ্ধমুক্ত কৰাৰ কথা কৈ অভিযান চলাই গৈছে নিহোন হিডানকিয়োকে। পাৰমাণৱিক অস্ত্ৰৰ বিৰুদ্ধে সক্ৰিয়ভাৱে কাম কৰি গৈছে নিহোন হিডানকিয়োকে। হিৰোছিমা আৰু নাগাচাকিৰ ভয়াৱহ পৰিস্থিতিৰ সাক্ষী হৈ থকা জীৱিত, বংশধৰ, পংগুসকলৰ দোহাই দি বিশ্ববাসীক নিতৌ শান্তিৰ বাৰ্তা দি অহা সংস্থাটোৱে কয় যে পাৰমাণৱিক অস্ত্ৰ কেতিয়াও ব্যৱহাৰ হ'ব নালাগে। এই সংস্থাটো হিৰোছিমা আৰু নাগাচাকিৰ পাৰমাণৱিক বিস্ফোৰণত প্ৰাণৰক্ষা পৰা লোকসকলৰ সহায় কৰিবলৈ গঠন কৰা হৈছিল। জাপানী সংস্থাটোৱে হিৰোছিমা আৰু নাগাচাকিৰ হাজাৰ হাজাৰ লোকৰ মনত আশাৰ সঞ্চাৰ জগাই তুলিছিল। কেইবা দশকৰ পিছতো বতাহত মিহলি হৈ থকা পাৰমাণৱিক পদাৰ্থই মানুহক ক্ৰিয়া কৰি অহালৈ চাই মানুহৰ কাষত থিয় দি মানৱ সেৱা কৰি গৈছিল এই সংস্থাই। সংস্থাটোৱে যি আন্দোলন কৰিছিল সেয়া আছিল তৃণমূল পৰ্যায়ৰ লোকৰ বাবে। কিন্তু সময় যোৱাৰ লগে লগে এই আন্দোলন সমগ্ৰ বিশ্বত বিস্তাৰিত হয়। হিৰোছিমা আৰু নাগাচাকিৰ পাৰমাণৱিক আক্ৰমণত পংগু, জীৱিত, বংশধৰসকলৰ বাবে কৰা আন্দোলন। জাপানীজ ভাষাত যাক হিবাকুশা বুলি কোৱা হয়। পাৰমাণৱিক বোমা নিক্ষেপে এটা এলেকাক কেনেদৰে দশকৰ পাছত দশক ধৰি নিঃশেষ কৰি পেলায় সেই কথাৰ বুজনি দি বিভিন্ন মাধ্যমত প্ৰচাৰ কৰি অহাৰ লগতে বাস্তৱ তথ্য দাঙি ধৰা হৈছে। পাৰমাণৱিক হাঠিয়াৰে মানুহৰ জীৱন পংগু কৰি পেলায় তাৰ বাস্তৱ আৰু তথ্যভিত্তিক বৰ্ণনা দিয়া হয়। আলোচনা চক্ৰ, পথসভা, নাটক, গান, তথ্যচিত্ৰ আদিও কৰি আহিছে। এই কাম বিশ্বব্যাপী কৰি গৈছে সংস্থাটোৱে। কংলকিত অধ্যায়ৰ সাক্ষী আজিও বহু লোক জীৱিত। জটিল জীৱন, অভিজ্ঞতাক সমল কৰি পাৰমাণৱিক অস্ত্ৰ আৰু যুদ্ধৰ বিৰুদ্ধে প্ৰচাৰ চলোৱা সংস্থাটোৱে বাৰে বাৰে পাৰমাণৱিক অস্ত্ৰ ব্যৱহাৰ নকৰিবলৈ কৈ আহিছে। প্ৰতিখন দেশক সতৰ্ক কৰি বিশ্বক পাৰমাণৱিক অস্ত্ৰমুক্ত কৰাৰ স্বাৰ্থত জনমত সংগ্ৰহ কৰিছে। লাখ লাখ সাক্ষী লোকৰ অভিজ্ঞতা একত্ৰিত কৰি ৰাজহুৱা প্ৰস্তাৱসহ বিষয়টো ৰাষ্ট্ৰসংঘলৈ বাৰ্ষিক প্ৰতিনিধি সভাত উত্থাপন কৰিছে। ৰাষ্ট্ৰসংঘত শান্তি সন্মিলন অনুষ্ঠিত কৰিছে। বিশ্ববাসীক বাৰে বাৰে পাৰমাণৱিক নিৰস্ত্ৰীকৰণক গুৰুত্ব দিয়ক বুলি কৈ আহিছে। উল্লেখ্য যে, ১৯৪৫ চনৰ ৬ আৰু ৯ আগষ্টত আমেৰিকা যুক্তৰাষ্ট্ৰই জাপানৰ হিৰোছিমা আৰু নাগাচাকি চহৰত দুটা পাৰমাণৱিক বোমা নিক্ষেপ কৰিছিল। এই বোমা বিস্ফোৰণত ১,৫০,০০০ৰ পৰা ২,৪৬,০০০ লোক নিহত হৈছিল। বেছিভাগেই আছিল সাধাৰণ লোক। তেতিয়াই দুই দেশৰ সংঘাতত পাৰমাণৱিক অস্ত্ৰ প্ৰথমবাৰ আৰু শেষবাৰ ব্যৱহাৰ হৈছিল। ছোভিয়েট ইউনিয়নে জাপানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাত জাপান অধিকৃত মাঞ্চুৰিয়াত পাৰমাণৱিক বোমা বিস্ফোৰণ কৰাৰ ছয় দিন পিছত ১৫ আগষ্টত জাপানে আত্মসমৰ্পণ কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ অন্তিম বছৰত মিত্ৰশক্তিয়ে জাপানৰ মূল ভূখণ্ডত আক্ৰমণৰ প্ৰস্তুতি চলাইছিল। পৰম্পৰাগত বোমা বিস্ফোৰণ আৰু ঘটাই টকিঅ'কে ধৰি ৬৪ খন জাপানী চহৰ ধ্বংস কৰিছিল। ১৯৪৫ চনৰ জুলাই মাহত মিত্ৰশক্তিৰ ম্যানহাটান প্ৰকল্পই দুই প্ৰকাৰৰ পাৰমাণৱিক বোমা প্ৰস্তুত কৰিছিল। লিটল বয়' আৰু 'ফেট মেন'ক জাপানৰ দুই প্ৰান্তত নিক্ষেপ কৰা হৈছিল। জাপান চৰকাৰে ২ ছেপ্টেম্বৰত আত্মসমৰ্পণ কৰি যুদ্ধৰ সমাপ্তি ঘটায়। কিন্তু এই নিহোন হিডানকিয়োকে সেই সময়ৰ পৰাই পাৰমাণৱিক অস্ত্ৰৰ বিৰোধ কৰি আহিছে। এই নিহোন হিডানকিয়োকৰ আন্দোলনৰ হয়তো ফচল এয়াই যে বিশ্বৰ কোনো দেশে আজিলৈ তেনে অস্ত্ৰ প্ৰয়োগ কৰিবলৈ সাহ কৰিব পৰা নাই। বিগত ৮০ বছৰত কোনো যুদ্ধত পাৰমাণৱিক অস্ত্ৰ ব্যৱহাৰ হোৱা নাই। পাৰমাণৱিক অস্ত্ৰ ব্যৱহাৰৰ ভয়ানক অমানৱীয় অৱস্থাক সংস্থাটোৱে বিশ্ববাসীক দেখুৱাই আহিছে। নৰৱেৰ নোবেল সমিতিয়ে নিহোন হিডানকিঅ'ক এই সন্মান প্ৰদান কৰি উৎসাহিত কৰি তুলিছে। বিশেষকৈ ৰাছিয়া-ইউক্ৰেইন যুদ্ধ, ইজৰাইল-ইৰাণ যুদ্ধত পাৰমাণৱিক অস্ত্ৰৰ ব্যৱহাৰৰ আশংকাক লৈ বিশ্ববাসী উদ্বিগ্ন হৈ পৰাৰ মাজতে পাৰমাণৱিক যুদ্ধৰ বিৰুদ্ধে আন্দোলন কৰি অহা জাপানী সংস্থাটোৱে শান্তিৰ নোবেল লাভ কৰা বিষয়টোৱে সামান্যকৈ হ'লেও সকাহ দিবলৈ সমৰ্থ হৈছে। পাৰমাণৱিক অস্ত্ৰ বিৰোধী সংস্থাটোৱে শান্তিৰ নোবেল লাভ কৰাৰ খবৰে যুদ্ধৰাজ নেতাসকলক সংযত কৰিব বুলিও বহুতে আশা ব্যক্ত কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আগমনিত দুৰ্ঘটনা, ৫ নিহত

আনন্দ-উছাহ ম্লান কৰি তুলিছে। জানিব পৰা মতে, অষ্টমীৰ দিনা পুৱা ছয় বজাত পশ্চিমবংগৰ পৰা ১৭ ৰাষ্ট্ৰীয় ঘাইপথেৰে এএছ ১৭ এল ৬৩৩১ নম্বৰৰ এখন বিলাসী বাহন তীব্ৰ বেগত ধুবুৰী অভিমুখে গৈ আছিল। সোনাখুলি দ্বিতীয় খণ্ডৰ টাৰ্ণিঙত চালকে নিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাত বাওঁফালৰ পৰা গৈ পথৰ সোঁফালে খোজকাঢ়ি গৈ থকা তিনি কিশোৰ-কিশোৰীক মহতিয়াই পথৰ দাঁতিত বাগৰি পৰে বাহনখন। ফলত তিনিওৱে ঘটনাস্থলীতে মৃত্যু হয়। নিহত কেইজন ক্ৰমে গাঁওখনৰ মেহেদী হাছান (৭), জুবায়ুৰ ৰহমান (৯) আৰু মৰিয়ম খাতুন (১২)। ঘটনাটোত গুৰুতৰভাৱে আহত হয় মৰিয়মৰ বোকোচাত থকা চল্লিছ দিনীয়া ভাতৃ আবু ৰাইহান। আগমনি আৰক্ষী থানাত খবৰ দিয়া সত্বেও উপস্থিত হোৱাত পলম কৰাত ক্ষুব্ধ ৰাইজে পথ অৱৰোধ কৰাৰ লগতে বাহনখনত থকা একেটা পৰিয়ালৰ তিনিজনক কিছুপৰিমাণে শাৰীৰিকভাৱে আক্ৰমণ কৰে যদিও একাংশ লোকৰ তৎপৰতাত পৰিয়ালটো ৰক্ষা পৰে। আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। মৃত কিশোৰ-কিশোৰীক আগমনি সমূহীয়া স্বাস্থ্য কেন্দ্ৰলৈ নি মৰণোত্তৰ পৰীক্ষা কৰাৰ লগতে গুৰুতৰভাৱে আহত শিশুটিক উন্নত চিকিৎসাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পাতাললৈ প্ৰেৰণ কৰে যদিও দুৰ্ভাগ্যজনকভাবে আধাবাটতে শিশুটিৰ মৃত্যু হয়। ঘটনাটোক লৈ তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। স্থানীয় সচেতন ৰাইজ আৰু আৰক্ষীয়ে পৰিৱেশ নিয়ন্ত্ৰণত ৰাখিবলৈ সক্ষম হয়। বাহনখন এগৰাকী মহিলাই চলোৱা বুলি ৰাইজে অভিযোগ কৰাৰ বিপৰীতে এয়া অস্বীকাৰ কৰে বাহনখনত থকা ধুবুৰীৰ বিশাল হৰলালকাই। হৰলালকাই নিজে চলোৱা বুলি দাবী কৰাৰ লগতে হঠাতে ক্লাচত ভৰি দিয়াৰ পৰিবৰ্তে একচেলেটৰত ভৰি দিয়াত বাহনখন তীব্ৰ বেগত এক প্ৰকাৰ জপিয়াই গৈ মহতিয়াই নিয়া বুলি জানিবলৈ দিয়ে। ঘটনাটোক লৈ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। লোকে লোকাৰণ্য হৈ পৰে দুৰ্ভগীয়া ঘৰখন। চাৰিওফালে অকল কান্দোনৰ ৰোল উঠা পৰিলক্ষিত হয়। সন্ধিয়া মৰণোত্তৰ পৰীক্ষাৰ পিছত মৃতদেহ ঘৰখনত উপস্থিত হোৱাত ৰাইজৰ ঢল ববলৈ ধৰে। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ প্ৰশাসনে যথেষ্ট সংখ্যক আৰক্ষী নিয়োগ কৰে। আৰক্ষী অধীক্ষক নবীন সিং নিজে ঘটনাস্থলীত উপস্থিত হৈ পৰিয়ালৰ লোকৰ লগত আলোচনাত মিলিত হয়। আনহাতে নিশা এঘাৰ বজাত আগমনিৰ শেৰনগৰ গাঁৱৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় আন এক দুৰ্ঘটনা। দুৰ্ঘটনাত নিহত হয় গাওঁখনৰ বিশ্বজিৎ সেন (৩৮)। অচিনাক্ত বাহনে মহতিয়াই নিয়াত তেওঁৰ মৃত্যু হয়। পূজাৰ আনন্দ-উছাহৰ মাজতে বৃহত্তৰ আগমনি অঞ্চলত সংঘটিত দুয়োটা ঘটনাই শোকৰ ছাঁ পেলাইছে।

# মৰিগাঁৱত ১০৮খনকৈ পূজা কমিটিৰ প্ৰতিমা বিসৰ্জন

**ই-সংবাদ, মৰিগাঁও, ১৩ অক্টোবৰঃ** মৰিগাঁৱত উলহ-মালহেৰে চাৰি দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হয় শ্ৰীশ্ৰী দুৰ্গা পূজা। মৰিগাঁও জিলাৰ ১০৮খন শ্ৰীশ্ৰী দুৰ্গা পূজা উৎসৱ উদযাপন সমিতিয়ে আজি দিনৰ ভাগৰ পৰা সন্ধিয়ালৈ বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন কৰে। উখলমাখল পৰিৱেশত মৰিগাঁও চহৰৰ ৫২ সংখ্যক মৰিগাঁও সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গাপূজা উৎসৱ উদযাপন সমিতিকে ধৰি মৰিগাঁও ২৬ সংখ্যক মৰিগাঁও সেৱাশ্ৰম আঞ্চলিক শ্ৰীশ্ৰী দুৰ্গাপূজা উদযাপন সমিতি,১৫ সংখ্যক মৰিগাঁও কেন্দ্ৰীয় শ্ৰীশ্ৰী দুৰ্গাপূজা উদযাপন সমিতি, নৰম সংখ্যক মৰিগাঁও নগৰ সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গাপূজা উদযাপন সমিতি, ৭৯ সংখ্যক মৰিগাঁও বাৰোৱাৰী শ্ৰীশ্ৰী দুৰ্গাপূজা উদযাপন সমিতি, মৰিগাঁও দৈনিক বজাৰ দুৰ্গাপূজা উদযাপন সমিতি,মৰিহীৰাগাঁও শ্ৰীশ্ৰী দুৰ্গাপূজা উৎসৱ উদযাপন সমিতি, পশ্চিম মৰিগাঁও সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গাপূজা পৰিচালনা সমিতি, মৰিগাঁও আৰক্ষী ছাউনীৰ শ্ৰীশ্ৰী দুৰ্গাপূজা উদযাপন সমিতিৰ লগতে চহৰখনৰ ১১ খনকৈ দুৰ্গোৎসৱ উদযাপন সমিতিয়ে বিয়লি ভাগত শাৰদী ৰাণীৰ বিসৰ্জনৰ বাবে নৃত্য গীতেৰে বিশাল শোভাযাত্ৰাৰে বিসৰ্জনৰ বাবে বাচনাঘাট মালপোতাৰ মৰিবিলৰ ঘাটত ভক্তপ্ৰাণ ৰাইজ উপস্থিত হয়। মৰিগাঁও পৌৰসভাৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত দেৱী বিসৰ্জনৰ বাবে সাজু কৰি ৰখা মৰিবিলৰ ঘাটত মৰিগাঁও চহৰৰ ১১খন পূজা মণ্ডপে দেৱী বিসৰ্জন প্ৰক্ৰিয়া সন্ধিয়াৰ ভিতৰত সম্পন্ন কৰে।কালি বিসৰ্জন আৰু অপৰাজিতা পূজাৰ অন্তত দেৱী মাৰ আশীৰ্বাদ লোৱাৰ উদ্দেশ্যে সকলো ভক্তপ্ৰাণ ৰাইজে বলয় ধাৰণ কৰি আজি বিয়লি ভাগত শাৰদী ৰাণীৰ বিসৰ্জনৰ বাবে নৃত্য গীতেৰে বিশাল শোভাযাত্ৰাৰে বিসৰ্জনৰ বাবে বাচনাঘাট মালপোতাৰ মৰিবিলৰ ঘাটত ভক্তপ্ৰাণ ৰাইজ উপস্থিত হয়। মৰিগাঁও পৌৰসভাৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত দেৱী বিসৰ্জনৰ বাবে সাজু কৰি ৰখা মৰিবিলৰ ঘাটত মৰিগাঁও চহৰৰ ১১খন পূজা মণ্ডপে দেৱী বিসৰ্জন প্ৰক্ৰিয়া বাতৰি লিখা পৰ্যন্ত চলি আছে। উল্লেখ্য যে-প্ৰাচীন কালৰ পৰা মাংগলিক বিধিৰে চলি অহা শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজা উৎসৱটি চাৰি দিনীয়া বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়।মহালয়াৰ শুভ মূহুৰ্তত ধৰাৰ বুকুলৈ শৰদীৰাণী নামি অহাৰ পৰা ভক্তপ্ৰাণ ৰাইজে নৱমী তিথিলৈ নৱৰাত্ৰিৰ উপাসনাত ব্যস্ত থকাৰ লগতে শ্ৰীশ্ৰী দুৰ্গোৎসৱ উদযাপন সমিতিৰ মণ্ডপত মা সুৱৰ্ণাক দিনে নিশাই পূজা অৰ্চনা কৰাৰ পিছত আজি দেৱী মাক বিসৰ্জনৰ সময়ত ভক্তপ্ৰাণ ৰাইজৰ দুচকু সেমেকি উঠিছে।

## মাক দৰ্শন কৰি আধ্যাত্মিক শান্তি পালে বুলি মন্তব্য

# কোকৰাঝাৰত দেৱী দুৰ্গাৰ আশীষ ল'লে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই

**ই-সংবাদ, কোকৰাঝাৰ, ১৩ অক্টোবৰঃ** কোকৰাঝাৰত প্ৰথমবাৰৰ বাবে দেৱী দুৰ্গাৰ আশীষ ল'বলৈ উপস্থিত হয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। প্ৰথমবাৰৰ বাবে ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে কোকৰাঝাৰত অকল দেৱী দুৰ্গাৰ আশীষ ল'বলৈ উপস্থিত হোৱাত ভক্তসকলৰ মাজত উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। মহানৱমীৰ দিনা পুৱা প্ৰায় ১০:৩০ বজাত হেলিকপ্টাৰ যোগে প্ৰথমে কোকৰাঝাৰৰ গ্ৰীণ ফিল্ডত অৱতৰণ কৰাৰ পিছত পথযোগে কোকৰাঝাৰ বড়ো বজাৰত থকা ঐতিহ্যমণ্ডিত দুৰ্গা মন্দিৰত উপস্থিত হৈ দেৱী দুৰ্গাৰ আৰাধনা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ইয়াৰ পিছতে ডিপোট ৰোডৰ পূজা মণ্ডপ, গৌৰ নগৰৰ পূজা মণ্ডত, শান্তিনগৰ আৰু সুভাষপল্লীৰ পূজা মণ্ডপ দৰ্শন কৰি দেৱী দুৰ্গাৰ আশীৰ্বাদ লয় মুখ্যমন্ত্ৰীয়ে। কোকৰাঝাৰৰ পাঁচখনকৈ পূজা মণ্ডপ দৰ্শন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সকলোলৈ শাৰদীয় শুভেচ্ছা জনাই সাংবাদিকৰ এক প্ৰশ্নোত্তোৰত মুখ্যমন্ত্ৰী এজনে অকল গুৱাহাটীতে আৱদ্ধ নাথাকি সকলো ঠাইৰ ৰাইজৰ সতে একাত্ম হোৱা উচিত বুলি মন্তব্য কৰিছে। যোৱা লোকসভা নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুতি অনুসৰি কোকৰাঝাৰত মা দুৰ্গাৰ আশীষ লববলৈ উপস্থিত হোৱা বুলি সদৰি কৰি কোকৰাঝাৰৰ দুৰ্গা পূজাৰ মণ্ডপসমুহ দৰ্শন কৰি আনন্দিত হোৱা বুলি মন্তব্য কৰি আধ্যাত্মিক শান্তি লাভ কৰা বুলিও বুলি উল্লেখ কৰে মুখ্যমন্ত্ৰীয়ে। তদুপৰি মা দুৰ্গাই সকলোকে যাতে সমন্বয়ৰ বান্ধোনেৰে ৰাখে আৰু সকলোকে যাতে আশীৰ্বাদ দিয়ে তাৰ বাবেও প্ৰাৰ্থনা কৰা বুলি মন্তব্য কৰিছে মুখ্যমন্ত্ৰীয়ে। ইপিনে মুখ্যমন্ত্ৰীৰ সতে চেলফী লববলৈ প্ৰতিখন মণ্ডপতে হেতাওপৰা লাগে। মুখ্যমন্ত্ৰীয়েও শিশুসকলক মূৰত হাত বুলাই মৰম কৰে আৰু আৰু গুণমুগ্ধৰ সতে চেলফি লয়। আনহাতে কোকৰাঝাৰলৈ আহি মা দেৱী দুৰ্গাৰ আশীষ লোৱাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতি কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছে প্ৰমোদ বড়োৱে।



# গুৱাহাটীৰ হাস্পতালত নগাঁৱৰ যুৱকৰ অকাল বিয়োগ

**ই-সংবাদ, ১৩ অক্টোবৰঃ** ৰাজ্যজুৰি দুৰ্গা পূজাৰ অন্তিমটো দিন বিজয়া দশমীৰ আনন্দ উল্লাসৰ মাজতে গুৱাহাটীৰ এখন ব্যক্তিগত খণ্ডৰ হাস্পতালত চিকিৎসাধীন নগাঁৱৰ এজন যুৱকে শেষ নিশ্বাস ত্যাগ কৰিছে। শনিবাৰে মৃত্যুক আকোৱালি লোৱা যুৱকজনৰ নাম হৈছে মিঠুন দাস। মিঠুন দাসৰ ঘৰ আছিল নগাঁও জিলাৰ ৰাইদঙীয়াত। কিছুদিন ধৰি অসুস্থ হৈ গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত চিকিৎসাধীন হৈছিল ৩০ বছৰীয়া মিঠুন। জানিব পৰা মতে, কিছুদিন পূৰ্বে অসুস্থ হৈ পৰাত পৰিয়ালে গুৱাহাটীলৈ আনি চিকিৎসা কৰি আছিল। কিন্তু পুনৰ সুস্থ হৈ নুঠিল তেওঁ। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ কেন্দ্ৰীয় সভাপতি সঞ্জীৱ দাসে মিঠুন দাসৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে আৰু বিদেহ আত্মাৰ সদ্গতি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াকবৰ্গক সমবেদনা জ্ঞাপন কৰে। যুৱকজনৰ অকাল বিয়োগত শোকস্তব্ধ হৈ পৰে নগাঁও জিলাৰ ৰাইদঙীয়া।



## আজমলৰ ৰাজনীতি খতম কৰি দিয়াৰ হুংকাৰ

# বিন্নাকান্দিত ইখনৰ পাছত সিখন সভা কংগ্ৰেছৰ

**ই-সংবাদ, মোৰাঝাৰ, ১৩ অক্টোবৰঃ** নৱগঠিত বিন্নাকান্দি সমষ্টিত কংগ্ৰেছে অনুষ্ঠিত কৰিছে ইখনৰ পাছত সিখন সভা। হোজাই জিলা কংগ্ৰেছৰ সংখ্যালঘু কোষ, বিন্নাকান্দি ব্লক কংগ্ৰেছৰ উদ্যোগত বিন্নাকান্দি সমষ্টিৰ অকচেকপথাৰ গাঁও পঞ্চায়তৰ ১০নং ৱাৰ্ডৰ ৰোহিনী পথাৰতো এখন সভা অনুষ্ঠিত হয়। সভাত হোজাই জিলা কংগ্ৰেছৰ সংখ্যালঘু বিভাগৰ সভাপতি সাহাব উদ্দিন মজুমদাৰ, হোজাই জিলা পৰিষদৰ প্ৰাক্তন সভানেত্ৰী ৰেজিয়া চুলতানা, যুৱ নেতা নাসিৰ উদ্দিন ফাৰুকী, অলিউৰ ৰহমান, জহিৰুল ইছলাম, তাজ উদ্দিন, আহমেদ উপস্থিত থাকে।

কেইবা শতাধিক লোক উপস্থিত থকা সভাত এআইইউডিএফ আৰু বিজেপি দলক ক্ষুৰধাৰ সমালোচনা কৰা দেখা যায়। চৰকাৰৰ কাম কাজত অতিষ্ঠ হৈ কংগ্ৰেছ দলৰ প্ৰতি ৰাইজ আকৃষ্ট হোৱা বুলি কয় কংগ্ৰেছৰ নেতাসকলে। এই সভাত মুখ্য অতিথি হিচাপে উপস্থিত থকা সাহাব উদ্দিন মজুমদাৰে কয় যে বিন্নিকান্দি সমষ্টিত শক্তিশালী হৈছে কংগ্ৰেছ দল। আগন্তুক পঞ্চায়ত আৰু বিধানসভা নিৰ্বাচনত ৰাইজে কংগ্ৰেছৰ পক্ষত ভোট দিব। আমি জিকিম। ৰাইজৰ কাম কৰিম। আজমলৰ ৰাজনীতি শেষ হৈছে। এতিয়া কংগ্ৰেছৰ ভাল দিন আহিছে।

# ৰামৰাইকুঠী সত্ৰত গুৰুজনাৰ আৱিৰ্ভাৱ তিথি

**ই-সংবাদ, গোলকগঞ্জ, ১৩ অক্টোবৰঃ** ধুবুৰী জিলাৰ ভাৰত বাংলাদেশ সীমান্তৱৰ্তী সত্ৰশালত শ্ৰীমন্ত শঙ্কৰদেৱে স্থাপন কৰা ৰামৰাইকুঠী সত্ৰত শংকৰ গুৰুজনাৰ আৱিৰ্ভাৱ তিথি পালন কৰা হয়। কাৰ্যসূচী মতে প্ৰথম দিনা চাফাই অভিযান, গছপুলি ৰোপণ, নাম প্ৰসংগ, গুৰুচৰিত পাঠ, খেল ধেমালি, শংকৰদেৱ বিষয়ক কুইজ, বক্তৃতা, সত্ৰীয়া নৃত্য, বৰগীত আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। পুৱা গায়ন-বায়নৰ গীতৰ পিছতে প্ৰভাত ফেৰী উলিওৱা হয়। তাৰ পিছত আইসকলৰ নাম আৰু বাপুসকলৰ নাম প্ৰসংগ অনুষ্ঠিত হয়। দুপৰীয়া যুগল পটল প্ৰসংগৰ পিছত অখণ্ড। পালনামৰ শুভাৰম্ভ হয়। দিনে নিশাই অবিৰত ভাৱে অখণ্ড পালনাম চলি থাকে। বিভিন্ন স্থানৰ পালনাম দ'ল অংশগ্ৰহণ কৰে। দ্বিতীয় দিনা পুৱা পালনামৰ সামৰণি পৰে। ৯ বজাত ভাগৱত শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাৰ উদ্বোধন কৰে ৰামৰাইকুঠী সত্ৰৰ সত্ৰাধিকাৰ তথা অসম সত্ৰ মহাসভাৰ সভাপতি জিতেন্দ্ৰ নাথ প্ৰধানীয়ে। শোভাযাত্ৰা সত্ৰৰ চাৰিহাটি প্ৰদক্ষিণ কৰি কাঁইটীয়া তাঁৰৰ বেৰৰ ভিতৰৰ নো মেনচ লেণ্ডত থকা নৌকা বন্ধা ঘাট লৈ যায়। সমুহীয়াভাৱে সেৱা জনাই পুনৰ সত্ৰলৈ ঘুৰি আহে। নিশা জয় বিজয় নাটক প্ৰদৰ্শনৰ অন্ত অনুষ্ঠানৰ সামৰণি পৰে।

# পুৰণিগুদাম প্ৰেছ ক্লাবৰ শাৰদীয় শিশু গ্ৰন্থমেলাৰ সামৰণি

**ই-সংবাদ, পুৰণিগুদাম, ১৩ অক্টোবৰঃ** নগাঁও জিলাৰ পুৰণিগুদাম প্ৰেছ ক্লাবৰ উদ্যোগত প্ৰয়াত সাংবাদিক নীলাভ জ্যোতি হাজৰিকা ক্ষেত্ৰত যোৱা ১০ অক্টোবৰৰ পৰা ১২ অক্টোবৰলৈ অনুষ্ঠিত হোৱা শাৰদীয় শিশু গ্ৰন্থমেলাখনি যোৱা নিশা সফল সামৰণি পৰে। "পুতলা পিষ্টলৰ সলনি এখন গ্ৰন্থ উপহাৰ দিয়ক" শীৰ্ষক বাণীৰে ১৯৯৬ চনৰ পৰা অনুষ্ঠিত হৈ অহা ২৯ তম্ শাৰদীয় পুৰণিগুদাম শিশু গ্ৰন্থমেলাত ১০ অক্টোবৰৰ পুৱা পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা হয়। পুৰণিগুদাম প্ৰেছ ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি তপন কটকীয়ে আৰু শিশু গ্ৰন্থমেলাৰ পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি হেমন্ত শইকীয়াই। ইফালে গ্ৰন্থ মেলাৰ দ্বাৰ উন্মোচন কৰে আয়ান আৰিফ নামৰ এজন শিশুৱে। পুৰণিগুদাম প্ৰেছ ক্লাবৰ প্ৰয়াত সাংবাদিক জয়ন্ত ভূঞা, দিগন্ত ভূঞা, নীলাভ জ্যোতি হাজৰিকা আৰু ধনটি হীৰাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে পৰিয়ালবৰ্গ আৰু ক্লাবৰ সদস্যসকলে। পুৱা ১০-৩০ বজাত "সকলোৰে পাব পুৰস্কাৰ" শীৰ্ষক চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ তত্বাৱধায়ক হিচাপে উপস্থিত থাকে বিপুল কুমাৰ বৰা। বিয়লি পুৰণিগুদাম কবি সন্মিলনৰ সৌজন্যত কবিতা পাঠৰ অনুষ্ঠান অনুষ্ঠিত হয়। কবি সন্মিলনখনি শুভ উদ্বোধন কৰে বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰ নাথ গায়নে। কবি-সমালোচক লক্ষেশ্বৰ শৰ্মাই সঞ্চালনা কৰা কবি সন্মিলনখনিত জিলাখনৰ দুকুৰিৰো অধিক কবিয়ে কবিতা পাঠ কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। কবি সন্মিলনখনিত পাঠিত কবিতাসমূহ বিশিষ্ট উদ্যোগপতি সদ্যপ্ৰয়াত ৰতন টাটাৰ নামত উচৰ্গা কৰা হয়। কবিতা পাঠৰ সমীক্ষক বিশিষ্ট কবি লক্ষেশ্বৰ শৰ্মাই এক সুন্দৰ সমীক্ষা আগবঢ়ায়। সন্ধ্যা গ্ৰন্থমেলাস্থলীত উপস্থিত হৈ বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে ৰুদ্ৰ বৰুৱা সংগীত একাডেমী আৰু নটৰাজ নৃত্য সাধনা কেন্দ্ৰই পৰিবেশন কৰা সাংস্কৃতিক অনুষ্ঠান শুভ উদ্বোধন কৰে। দুয়োটা অনুষ্ঠানৰ দৃষ্টিনন্দন পৰিৱেশনত উপস্থিত শ্ৰোতা-দৰ্শক মন্ত্ৰমুগ্ধ হৈ পৰা পৰিলক্ষিত হয়। অনুষ্ঠানত গ্ৰন্থমেলা উদযাপন সমিতিৰ সভাপতি মণিমাধৱ মহন্ত উপস্থিত থাকি সকলোকে উৎসাহিত কৰে। ১১ অক্টোবৰৰ বিয়লি শিশুসকলৰ মাজত কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। কবিতা আবৃত্তি প্ৰতিযোগিতাৰ "ক" শাখাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ প্ৰাপক প্ৰতিযোগীসকল হ'ল প্ৰণয় প্ৰতীম গায়ন, অনুভৱ বৈৰাগী, যুটীয়াভাৱে জয়শ্ৰী গায়ন দেবাংগৰাজ গায়ন। নিচুকণি বঁটা লাভ কৰে অভ্ৰনীল কৃষ্ণাত্ৰেয় আৰু প্ৰত্যাশা গায়নে। প্ৰতিযোগিতাৰ "খ" শাখাৰ প্ৰথম প্ৰতিযোগী যুটীয়াভাৱে চিন্ময়ী শৰ্মা, সুকন্যা শইকীয়া, দ্বিতীয় আদিত্য গায়ন আৰু তৃতীয় মোদিতা কলিতা। বিয়লি ৪-৩০ বজাত শিশুসকলৰ মাজত আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধ্যা শিশু গ্ৰন্থমেলাস্থলীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিয়ে মুকলি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। অনুষ্ঠানত নাট্যকাৰ সীমান্ত কলিতাৰ পৰিচালনাত নৱসৃষ্টিয়ে "আইতা" আৰু নগাঁৰৰ মিন্টু কলিতাৰ পৰিচালনাত সীমান্ত কলিতাৰ নাটক "আকৌ ৰামচন্দ্ৰ আহিব" নাটক মঞ্চস্থ কৰে। নৱসৃষ্টি আৰু ঐকান্তিকে মঞ্চস্থ কৰা নাটকত শিশুসকলৰ অভিনয়ে দৰ্শক সকলক আকৰ্ষিত কৰে। উল্লেখযোগ্য যে, কেইবাখনো গ্ৰন্থ বিপণীয়ে অংশগ্ৰহণ কৰা এই গ্ৰন্থমেলাত গ্ৰন্থৰ বিক্ৰী যথেষ্ট হোৱা দেখা যায়। প্ৰতিকুল বতৰৰ মাজতো বহুকেইগৰাকী লেখকৰ গ্ৰন্থই পাঠকৰ সমাদৰ লাভ কৰাটো পুৰণিগুদাম শাৰদীয় শিশু গ্ৰন্থমেলাৰ আন এক সফলতা বুলি কব পৰা যায়। ম'বাইল বা ইন্টাৰনেটে গ্ৰন্থৰ চাহিদা কমাইছে বুলি চৰ্চা চলিলেও পুৰণিগুদাম প্ৰেছ ক্লাবৰ শাৰদীয় শিশু গ্ৰন্থমেলাত এনেধৰণৰ কোনো প্ৰভাৱ পৰাই নাই বুলি জানিবলৈ দিয়ে পুৰণিগুদাম প্ৰেছ ক্লাবৰ সভাপতি তপন কটকীয়ে। গ্ৰন্থ মেলাত গ্ৰন্থৰ বিক্ৰীয়ে সকলোকে উৎসাহিত কৰি তোলে।

# অৰুণাচলত অসমৰ ১৯ শ্ৰমিকক বন্দী কৰাৰ অভিযোগ, মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী

**ই-সংবাদ, ১৩ অক্টোবৰঃ** ৰাজ্যৰ দৰিদ্ৰ ঘৰৰ শ্ৰমিকক চুবুৰীয়া ৰাজ্যত বন্দী কৰাৰ খবৰে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। নগাঁও আৰু মৰিগাঁও জিলাৰ ১৯ শ্ৰমিকক চুবুৰীয়া ৰাজ্য অৰুণাচলত বন্দী কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে কেইবাটাও পৰিয়ালে। কচুৱা আৰু মৰিগাঁৱৰ ১৯ শ্ৰমিকক বন্দী কৰাৰ গুৰুতৰ অভিযোগ আনিছে শ্ৰমিকসকলৰ পৰিয়ালে। পৰিয়াল আৰক্ষীৰ ওচৰত দাখিল কৰা অভিযোগ মতে, প্ৰায় দুমাহ পূৰ্বে ঠিকাদাৰী প্ৰতিষ্ঠানে তেওঁলোকক কাম কৰিবলৈ অৰুণাচলৰ দিবাং ভেলীলৈ নিছিল। তাত দীৰ্ঘদিন ধৰি ঠিকাদাৰী প্ৰতিষ্ঠানত কাম কৰে। কাম কৰাৰ পাছতো আগধন হিচাপে দিয়া ৮ লাখ টকা নিদিলে আহিব নিদিয়াৰ ধমক দিছে ঠিকাদাৰে। এই খবৰ লাভ কৰি হাহাকাৰ কৰি সময় অতিবাহিত কৰিছে পৰিয়ালে। কাম কৰাৰ অন্তত ঘৰলৈ আহিব নিদি শ্ৰমিকক বন্দী কৰাৰ অভিযোগ আনে পৰিয়ালে। পৰিয়ালৰ মতে, দুমাহ পূৰ্বে কচুৱাৰ পমিলা, চিতলমাৰী, তামোলবাৰী আৰু মৰিগাঁৱৰ পৰা শ্ৰমিক কেইজনে পকী পথ নিৰ্মাণৰ বাবে গৈছিল। দিবাং ভেলী জিলাৰ ভিতৰুৱা কামত নিয়োগ কৰি শ্ৰমিকসকলক খাদ্যৰ যোগান ধৰা নাছিল। ফলত ভোকে-পিঁয়াহে দিন কটাবলগীয়া হৈছে। লগতে ঘৰলৈ আহিব খুজিলেও ঠিকাদাৰী প্ৰতিষ্ঠানে বাধা প্ৰদান কৰিছে। মৃত্যুৰ ভাবুকি দিয়াৰো অভিযোগ উঠিছে। পৰিয়াল কেইটাই অৱশেষত নগাঁৱৰ কচুৱা আৰক্ষীক অভিযোগ দাখিল কৰিছে। শ্ৰমিক কেইজনক উদ্ধাৰৰ বাবে কাতৰ আহ্বান জনাই পৰিয়ালে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক কাতৰ আহ্বান জনাই কয় যে আপুনি আমাৰ সন্তাক উদ্ধাৰত সহায় কৰক।



## গুৰুজনাৰ ৫৭৬ সংখ্যক জন্মজয়ন্তীত উদুলি-মুদুলি বটদ্ৰৱা থান

**ই-সংবাদ, বেবেজীয়া, ১৩ অক্টোবৰঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ জন্মভূমিৰ বটদ্ৰৱা থানত গুৰুজনাৰ ৫৭৬ সংখ্যক জন্ম জয়ন্তী উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। শনিবাৰৰ পৰা তিনিদিনীয়াকৈ বিস্তৃত কাৰ্যক্ৰমণিকাৰে গুৰুজনাৰ জন্ম জয়ন্তী উলহ-মালহেৰে উদযাপন কৰা হৈছে। বটদ্ৰৱা থানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱ সমবেত হয়। জন্ম জয়ন্তী উপলক্ষে প্ৰথম দিনা পুৱা তাল কোবোৱা প্ৰসংগ, মঞ্জীৰা নাম, আইসকলৰ নাম, খোল প্ৰসংগ আদিৰ পিছতে বটদ্ৰৱা থানৰ পৰা বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ অম্লান জ্যোতিদেৱ গোস্বামীয়ে শুভাৰম্ভ কৰা শোভাযাত্ৰাত ভাগৱত পাঠ, অংকীয়া ভাওনা, নামঘৰৰ প্ৰতীকৰ সমাহাৰ ঘটে। জাতীয় সংস্কৃতি প্ৰতিফলিত হোৱা এই বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাই গুৰুজনাৰ পবিত্ৰ জন্মভূমি উজ্বলাই তোলে। সৰু-বৰ বাহনেৰে উলিওৱা শোভাযাত্ৰাই বটদ্ৰৱা থানৰ জাপি বাঁটিচৰাৰ পৰা আৰম্ভ হৈ ভোমোৰাগুৰি, ভেটিয়নী, ৰাইদঙীয়া, জাজৰি, চকলাঘাট, চমুৱাগাঁও, হাতীচোং আদি কুৰি খন গাঁও পৰিভ্ৰমণ কৰাৰ অন্তত শলগুৰি সত্ৰৰ পথেৰে সামৰণি মৰা হয়। সন্ধ্যা ৫৭৬ গছি বন্তি প্ৰজ্বলন কৰাৰ লগতে নিশা 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ' শীৰ্ষক ভাওনা প্ৰদৰ্শন কৰা হয়। বটদ্ৰৱা থানৰ নাটঘৰত গুৰুজনাৰ কৃষ্টি সংস্কৃতি প্ৰতিফলিত কৰি সত্ৰৰ শিশুৰ পৰা জেষ্ঠ সকলো একত্ৰিত হৈ পৰিবেশন কৰে 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ' ভাওনা। ভাওনা উপভোগ কৰি তথা ভগৱান শ্ৰীকৃষ্ণৰ লীলাৰ মাহাত্ম্য দৰ্শন-শ্ৰৱণ কৰি উপস্থিত ৰাইজ একাত্ম হৈ পৰে। জন্মজয়ন্তী মহোৎসৱ উপলক্ষে কীৰ্তনঘৰ, দৌলমন্দিৰ, পদশিলাত ভিন্ন প্ৰান্তৰ পৰা অহা ভক্তই বন্তি, শৰাই আগবঢ়াই সেৱা আগবঢ়োৱাত হৰিনাম ভকতিৰ ৰসত বৈকুণ্ঠপুৰীত পৰিণত হয় বটদ্ৰৱা থান।

## পৰ্যটকৰ বাবে মুকলি হ'ব পবিতৰা

**ই-সংবাদ, মৰিগাঁও, ১৩ অক্টোবৰঃ** দেশী-বিদেশী পৰ্যটকৰ অন্যতম আকৰ্ষণস্থলী মৰিগাঁও জিলাৰ পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য কাইলৈ পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। ৰাজ্য চৰকাৰৰ বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে পুৱা ১১ বজাত ২০২৪-২৫ বৰ্ষৰ পৰ্যটকৰ বাবে আনুষ্ঠানিকভাৱে পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য মুকলি কৰিব। এই কাৰ্যসূচীত জলসম্পদ মন্ত্ৰী পীয়ুষ হাজৰিকা, তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী জীৱন চন্দ্ৰ কোঁৱৰ, মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, বন বিভাগৰ বহুকেইজন শীৰ্ষ বিষয়া উপস্থিত থাকিব।

## কেন্দুকোণাত বিলাসী গাড়ীত উঠি ছাগলী চুৰি

**ই-সংবাদ, ৰঙিয়া, ১৩ অক্টোবৰঃ** ৰঙিয়াৰ কেন্দুকোনাত দুৰ্ঘটনাগ্ৰস্ত বিলাসীবাহনত ১২টাকৈ চুৰি ছাগলী উদ্ধাৰ হয়। এএছ-০১-এজেড-৭০৪৬ নম্বৰৰ বিলাসী বাহনখনে পথৰ দাঁতিৰ ডিভাইদাৰত খুন্দা মাৰে। সেই সময়ত গাড়ীৰ ভিতৰত বহু কেইটা ছাগলী ৰাইজে প্ৰত্যক্ষ কৰাত ওলাই পৰে ওৰহি গছৰ ওৰ। জানিব পৰা মতে, ছাগলী চুৰি কৰি বাহনখনত ভৰাই আনি তীব্ৰ বেগেৰে পলায়নৰ প্ৰয়াস কৰিছিল দুই চোৰে। পথক লৈ ব্যাঘাত জন্মাত ভুল পথৰে গতি কৰাত নিয়ন্ত্ৰণ হেৰুৱাই ৰাষ্ট্ৰীয় ঘাইপথৰ ডিভাইদাৰত খুন্দা মাৰে বাহনখন। দুৰ্ঘটনাত পতিত বাহনখনৰ পৰা স্থানীয় লোকে ১২টাকৈ ছাগলী উদ্ধাৰ কৰে। গাড়ীৰ ভিতৰত থকা লোক দুজনক সোধা-পোছা কৰাত উৰহীৰ ওৰ ওলাই পৰে। ছাগলীকেইটা চুৰি কৰি অনা বুলি নিশ্চিত হৈ দুই চোৰক উত্তম মধ্যম শোধাই আৰক্ষীক গতাই দিয়ে।

# ৯০ সংখ্যাক জন্মদিনত প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈক স্মৰণ মৈৰাবাৰীবাসীৰ

**ই সংবাদ, মৈৰাবাৰী, ১৩ অক্টোবৰঃ** প্ৰয়াত প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ ৯০ সংখ্যাক জন্মদিনটোত সমগ্ৰ ৰাজ্যৰ লগতে মৈৰাবাৰীতো ৰাইজে স্মৰণ কৰে। কেইবাগৰাকী কংগ্ৰেছ নেতাৰ উপস্থিতিত কেক কাটি তিনি কাৰ্যকালৰ মুখ্যমন্ত্ৰীগৰাকীৰ জন্ম জয়ন্তী পালন কৰা হয়। মৈৰাবাৰী ব্লক কংগ্ৰেছৰ কাৰ্যালয়ত মৰিগাঁও জিলা সংখ্যালঘু বিভাগে আয়োজন কৰা ৰক্তদান শিবিৰত মৰিগাঁও জিলা কংগ্ৰেছৰ সভাপতি ৰমেশ বৰদলৈ, ৰাজ্যিক কংগ্ৰেছৰ সাধাৰণ সম্পাদক আনোৱাৰ হুছেইন, অসম প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ মহচিন খান, মৰিগাঁও জিলা কংগ্ৰেছৰ সংখ্যালঘু বিভাগৰ অধ্যক্ষ নেকিবৰ ৰহমান, ৰেকিব আহমেদ, আতাউৰ ৰহমান, মৈৰাবাৰী ব্লক কংগ্ৰেছৰ সভাপতি ফাইজুৰ ৰহমান, ইজ্জত আলিৰ লগতে অইন কংগ্ৰেছ নেতা-কৰ্মীয়ে ৰক্তদান কৰে। ৰক্তদান শিবিৰৰ আয়োজনত আগভাগ লয় মৰিগাঁও জিলা কংগ্ৰেছৰ সংখ্যালঘু বিভাগৰ সাংগঠনিক সম্পাদক ইক্ৰামুল হকে।

# মৰঙীত গুৰুজনাৰ ৫৭৬ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ পালন



**ই-সংবাদ, নুমলীগড়, ১৩ অক্টোবৰঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মৰঙী আঞ্চলিক শাখাৰ পশ্চিম মণ্ডলৰ কল্পতৰু প্ৰাথমিক শাখাৰ উদ্যোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ ৫৭৬ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ আৰু যুৱ-শিশু-আই-মাতৃ সমাৰোহ অনুষ্ঠিত হয়। ১২ আৰু ১৩ অক্টোবৰত দুদিনীয়া কাৰ্যসূচীৰে এই কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰথম দিনা বুদ্ধেশ্বৰ শইকীয়াৰ দ্বাৰা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ধৰ্ম ধ্বজা উত্তোলন কৰা পিছতে শিশু আৰু যুৱকসকলৰ মাজত কবিতা, বক্তৃতা, কুইজ, নৃত্যৰ প্ৰতিযোগিতা আৰু আই-মাতৃসকলৰ মাজত কবিতা বক্তৃতা আৰু দিহা নামৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। দ্বিতীয় দিনা বৃক্ষৰোপণ কৰা হয়। তাৰ পাছতে ভাগৱত ভ্ৰমণ কৰা হয়। দুপৰীয়া অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাত প্ৰতিযোগীসকলক বঁটা বিতৰণ কৰা হয়। নিশা যুৱ আৰু শিশু ভাৱৰীয়াৰ দ্বাৰা মহাপুৰুষীয়া নাটক নৃসিংহ মূৰাৰী প্ৰদৰ্শন কৰা হয়। পশ্চিম মণ্ডলৰ কল্পতৰু প্ৰাথমিক শাখাত অনুষ্ঠিত আৱিৰ্ভাৱ মহোৎসৱ আৰু যুৱ-শিশু-আই-মাতৃ সমাৰোহ সাফল্যমণ্ডিত কৰাত বাপ, আই, যুৱকসকলক আয়োজক সমিতিৰ হৈ ধন্যবাদ জ্ঞাপন কৰে সম্পাদক পিতাম্বৰ বৰাই।

# শংকৰদেৱ সংঘৰ অংকীয়া নাট সমাৰোহৰ সামৰণি, বিহপুৰীয়া-নাৰায়ণপুৰ জিলা শাখা শ্ৰেষ্ঠ

**ই-সংবাদ, বেবেজীয়া, ১৩ অক্টোবৰঃ** নগাঁও জিলাৰ বেবেজীয়াৰ গেদাৰবড়িৰ শ্ৰীমন্ত শংকৰদেৱ আৰু বঢ়াৰ পো সমন্বয় ক্ষেত্ৰত তিনিদিনীয়াকৈ আয়োজিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় নাট সমাৰোহ শনিবাৰে নিশা সামৰণি পৰে। নাট সমাৰোহত বিহপুৰীয়া-নাৰায়ণপুৰ জিলা শাখাই শ্ৰেষ্ঠ নাট্যদলৰ সন্মান লাভ কৰে। সংঘৰ সাংস্কৃতিক শাখাৰ সভাপতি পবিত্ৰ প্ৰাণ বৰা আৰু সম্পাদক সঞ্জীৱ বৰুৱাই জনোৱা নাট সমাৰোহৰ ফলাফল অনুসৰি শ্ৰেষ্ঠ নাট্যদল বিহপুৰীয়া-নাৰায়ণপুৰ জিলা শাখা (নাটক-ৰুক্মিনী হৰণ), দ্বিতীয় শ্ৰেষ্ঠ নাট্যদল গহপুৰ জিলা শাখা (নাটক-ৰাম বিজয়), তৃতীয় শ্ৰেষ্ঠ নাট্যদলঃ বিশ্বনাথ জিলা শাখা (নাটক-কালীয় দমন), শ্ৰেষ্ঠ গায়ন-বায়ন বিহপুৰীয়া-নাৰায়ণপুৰ জিলা শাখা, দ্বিতীয় শ্ৰেষ্ঠ গায়ন-বায়ন গহপুৰ জিলা শাখা, শ্ৰেষ্ঠ বায়ন বিহপুৰীয়া-নাৰায়ণপুৰ জিলা শাখা, দ্বিতীয় শ্ৰেষ্ঠ বায়ন গহপুৰ জিলা শাখা, শ্ৰেষ্ঠ গায়ক বিহপুৰীয়া-নাৰায়ণপুৰ জিলা শাখা, শ্ৰেষ্ঠ গায়িকা বিশ্বনাথ জিলা শাখা, শ্ৰেষ্ঠ দোহাৰ বিহপুৰীয়া-নাৰায়ণপুৰ জিলা শাখা, দ্বিতীয় শ্ৰেষ্ঠ দোহাৰা নগাঁও জিলা শাখা, শ্ৰেষ্ঠ সূত্ৰধাৰ গহপুৰ জিলা শাখা, দ্বিতীয় শ্ৰেষ্ঠ সূত্ৰধাৰ নগাঁও জিলা শাখা, শ্ৰেষ্ঠ অভিনেতা বেদনিধি, নাটক-ৰুক্মিনী হৰণ, নাৰায়ণপুৰ জিলা শাখা, দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা পৰশুৰাম, নাটক-ৰাম বিজয়, নগাঁও জিলা শাখা, শ্ৰেষ্ঠ শিশু অভিনেতা কৃষ্ণ, নাটক-কালিয় দমন, কামপুৰ জিলা শাখা, দ্বিতীয় শ্ৰেষ্ঠ শিশু অভিনেতা বালক, নাটক-কালিয় দমন, বিশ্বনাথ জিলা শাখা, শ্ৰেষ্ঠ অভিনেত্ৰী যশোদা, নাটক-কালিয় দমন, কামপুৰ জিলা শাখা, দ্বিতীয় শ্ৰেষ্ঠ অভিনত্ৰী সীতা, নাটক-ৰাম বিজয়, গহপুৰ জিলা শাখা, শ্ৰেষ্ঠ ৰূপসজ্জাঃ কালিয় দমন, কামপুৰ জিলা শাখা, শ্ৰেষ্ঠ মুখাশিল্পঃ ৰাম বিজয়, গহপুৰ জিলা শাখা। উল্লেখ্য যে, নাট সমাৰোহত প্ৰতি নিশা অসমৰ বিভিন্ন জিলা শাখাৰ পৰা নিৰ্বাচিত দুখনকৈ অংকীয়া নাট পৰিৱেশন কৰা হৈছিল আৰু দুৰ্গোৎসৱৰ মাজতে অনুষ্ঠিত নাট সমাৰোহৰ প্ৰতি নিশাই সহস্ৰাধিক দৰ্শকে গুৰুজনাৰ অপূৰ্ব সৃষ্টি অংকীয়া নাট উপভোগ কৰি এক অনন্য পৰিবেশৰ সূচনা কৰিছিল।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# বুমৰাহক উপ-অধিনায়কৰ দায়িত্ব প্ৰদান

# কিৱিৰ বিৰুদ্ধে টেষ্ট শৃংখলা

**মুম্বাই, ১৩ অক্টোবৰঃ** নিউজিলেণ্ডৰ বিৰুদ্ধে অহা ১৬ অক্টোবৰৰ পৰা আৰম্ভ হ'বলগীয়া তথন মেচৰ টেষ্ট শৃংখলাৰ বাবে ভাৰতীয় দলটো ঘোষণা কৰা হৈছে। শৃংখলাটোত ভাৰতীয় দলটোৰ উপ-অধিনায়কৰ দায়িত্ব দিয়া হৈছে অভিজ্ঞ পেচাৰ যশপ্ৰীত বুমৰাহক। ইয়াৰ পূৰ্বে, বুমৰাহে ২০২২ চনৰ জুলাইত এজবাষ্টনত ইংলেণ্ডৰ বিৰুদ্ধে পঞ্চমখন টেষ্ট মেচত ভাৰতীয় দলক নেতৃত্ব দিছিল। টেষ্ট শৃংখলটোত ৰোহিত শৰ্মাকেই অধিনায়ক হিচাপে ৰখা হৈছে। দলটোত শুভমন গিল, যশস্বী জয়ছোৱাল, বিৰাট কোহলি, কে এল ৰাহুল, ঋষভ পন্ত, ছৰফৰাজ খান আৰু ধ্ৰুৱ জুৰেলকে ধৰি প্ৰায় সকলো নিয়মীয়া খেলুৱৈক অন্তৰ্ভুক্ত কৰা হৈছে। বুমৰাহৰ লগতে বেগী বলাৰ হিচাপে থাকিব মহম্মদ চিৰাজ আৰু আকাশ দীপ। স্পীন আক্ৰমণৰ দায়িত্বত থাকিব অফ স্পিনাৰ ৰবিচন্দ্ৰন অশ্বিন, অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাদেজা, বাওঁহতীয়া স্পিনাৰ অক্ষৰ পেটেল আৰু কুলদীপ যাদৱ। শৃংখলাটোৰ তিনিখন মেচ ক্ৰমে বাংগালুৰুৰ চিন্নাস্বামী ষ্টেডিয়াম, পুণেৰ মহাৰাষ্ট্ৰ ক্ৰিকেট এছ'চিয়েচন ষ্টেডিয়াম আৰু মুম্বাইৰ প্ৰতিষ্ঠিত ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। নিউজীলেণ্ডৰ বিৰুদ্ধে তিনিখন টেষ্টৰ বাবে ভাৰতৰ ১৫ জনীয়া দলঃ ৰোহিত শৰ্মা (অধিনায়ক), যশস্বী জয়ছোৱাল, শুভমন গিল, বিৰাট কোহলি, কে এল ৰাহুল, ছৰফৰাজ খান, ঋষভ পন্ত (উইকেটৰক্ষক), ধ্ৰুৱ জুৰেল (উইকেটৰক্ষক), ৰবিচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পেটেল, কুলদীপ যাদৱ, মহম্মদ চিৰাজ, আকাশ দীপ।



স্কটলেণ্ডৰ বিৰুদ্ধে মহিলা বিশ্বকাপৰ এখন মেচত ইংলেণ্ডৰ ছাৰা গ্লেন



## গুণেমাই বৰা-ছাজিৰা বেগম সোঁৱৰণী 'এ' ডিভিজন ফুটবল

# ব'লব'মক পৰাস্ত কৰি নৱজ্যোতি চেম্পিয়ন

**ই-সংবাদ, মৰিগাঁও, ১৩ অক্টোবৰঃ** মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ ১০টাকৈ শক্তিশালী ফুটবল দলৰ অংশগ্ৰহণৰে মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত বিপুল সংখ্যক ফুটবলপ্ৰেমী ৰাইজৰ ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে অনুষ্ঠিত গুনেমাই বৰা আৰু ছাজিৰা বেগম সোঁৱৰণী প্ৰাইজমাণি 'এ' ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাৰ শনিবাৰে অনুষ্ঠিত তীব্ৰ প্ৰতিদ্বন্দিতামূলক ফাইনেল খেলখনত মৰিগাঁও নৱজ্যোতি ক্লাৱে ২-০ গ'লৰ ব্যৱধানত ব'লব'ম ফুটবল ক্লাৱক পৰাভূত কৰি চেম্পিয়নৰ খিতাপ ক্ৰমাগত দ্বিতীয়বাৰৰ বাবে দখল কৰিছে। মৰিগাঁৱৰ জিলা আয়ুক্ত দেবাশীষ শৰ্মাই উদ্বোধন কৰা ফাইনেল খেলখনত ব'লব'মৰ খেলুৱৈ সকলে শক্তিশালী খেল প্ৰদৰ্শন কৰি প্ৰথমাৰ্ধত নৱজ্যোতি ক্লাৱক গ'ল স্কৰিং কৰাৰ সুবিধা নিদিলেও খেলৰ দ্বিতীয়াৰ্থত নৱজ্যোতিৰ খেলুৱৈসকলে অধিক পৰিপক্ক আৰু সংঘবদ্ধ খেল প্ৰদৰ্শন কৰি অধিনায়ক মুস্তাক আহমেদৰ এক দৃষ্টিনন্দন গ'লৰে ১-০ৰ অগ্ৰগতি লাভ কৰাৰ কিছু সময়ৰ পাছতে ফৰৱাৰ্ড ৰঞ্জন দেউৰীয়ে এক কোবাল শ্বটৰ জৰিয়তে ব'লব'মৰ গ'লৰক্ষকক পৰাভূত কৰি নৱজ্যোতিক ২-০ গ'লৰ অপ্ৰতিৰোধ্য অগ্ৰগতি প্ৰদান কৰে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ যুটীয়া সম্পাদক নাছিৰউদ্দিন আহমেদৰ তত্ত্বাৱধানত আয়োজিত বঁটা বিতৰণী সভাত অসম ফুটবল সন্থৰ উপ-সভাপতি জিতু বৰদলৈ, জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকা, মৰিগাঁও পৌৰসভাৰ পৌৰপতি যোগেশ তামুলী, তিৱা স্বায়ত্ত্ব পৰিষদৰ সদস্য অজিত ডেকা, খেল আয়ুক্ত ৰমেন নাথ, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, সম্পাদক জিতুমনি নাথ, জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মা, অসম উন্নতি সভাৰ সম্পাদক অতনু শৰ্মা, ক্ৰীড়া সন্থৰ উপ-সভাপতি সকল ক্ৰমে জয় আমচি, মুনীন্দ্ৰ বৰা, নিপুন বৰা, যুটীয়া সম্পাদক বিজয় নাথকে আদি কৰি অনান্য শাখা সম্পাদক আৰু বিষয়ববীয়া সকলৰ উপস্থিতিত প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ গ'লৰক্ষক হিচাপে গৌতম আমচি, সৰ্বাধিক গ'ল স্ক'ৰাৰ হিচাপে নাৰ্ছন বড়ো আৰু ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে মুস্তাক আহমেদক বঁটা প্ৰদান কৰা হয়। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ তৰফৰ পৰা বিজয়ী আৰু বিজিত দলৰ ট্ৰফী আৰু প্ৰাইজমাণি প্ৰদান কৰে ট্ৰফীদাতা নিপুন বৰা আৰু কামাল হুছেইনে। ফাইনেল খেলখন পৰিচালনা কৰে ৰেফাৰী মিন্টু বৰদলৈ, শ্বাহেদূৰ ৰহমান, ভোগসিং বৰদলৈ আৰু পদ্ম পাটৰে।

# ইমাৰ্জিং এছিয়া কাপ'ৰ বাবে বিচিচিআইৰ ভাৰতীয় 'এ' দল ঘোষণা

**মাস্কাট, ১৩ অক্টোবৰঃ** ওমানত অহা ১৮ অক্টোবৰৰ পৰা আৰম্ভ হ'বলগীয়া ষষ্ঠ 'ইমাৰ্জিং টীমছ এছিয়া কাপ'ৰ বাবে বিচিচিআইয়ে শনিবাৰে ভাৰতৰ 'এ' দলটো ঘোষণা কৰিছে। ভাৰতীয় দলটোৰ নেতৃত্ব লাভ কৰিছে বেটাৰ তথা পাৰ্ট টাইম অফ স্পিনাৰ তিলক বাৰ্মাই। এই প্ৰতিযোগিতাত ভাৰত, পাকিস্তান, শ্ৰীলংকা, আফগানিস্তান, বাংলাদেশৰ লগতে হংকং, সংযুক্ত আৰৱ আমিৰশ্বাহী আৰু আয়োজক ওমানসহ মুঠ আঠটা দলে অংশগ্ৰহণ কৰিব। দুটা গ্ৰুপত হ'বলগীয়া প্ৰতিযোগিতাখনত ভাৰতীয় টলটো পাকিস্তান, সংযুক্ত আৰৱ আমিৰশ্বাহী আৰু ওমানৰ সৈতে 'বি' গ্ৰুপত আছে। ১৯ অক্টোবৰত ভাৰতে পাকিস্তানৰ মুখামুখি হ'ব। প্ৰতিযোগিতাখনৰ ফাইনেল মেচখন অনুষ্ঠিত হ'ব অহা ২৭ অক্টোবৰত। ভাৰত 'এ' দল: তিলক বাৰ্মা (অধিনায়ক), অভিষেক শৰ্মা, আয়ুষ বদোনী, নিশান্ত সিন্ধু, অনুজ ৰাৱট, প্ৰভচিমৰণ সিং, নেহাল ৱাধেৰা, অংশুল কম্বোজ, ঋত্বিক শোকিন, আকুইব খান, বৈভৱ অৰোৰা, ৰশ্বিখ ছালাম, চাই কিশোৰ আৰু ৰাহুল চাহাৰ।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)